## ৭৩ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে
## মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখীদেৱৰ অভিভাষণ

**অসমৰ শ্ৰদ্ধাভাজন ৰাইজ,**

আমাৰ মহান দেশখনৰ ৭৩ সংখ্যক গণৰাজ্য দিৱসৰ এই পবিত্ৰ দিনটোত আমাৰ ৰাজ্য তথা দেশখনৰ সমূহ জনসাধাৰণলৈ যাঁচিলো মোৰ উষ্ণ সম্ভাষণ আৰু শুভেচ্ছা।

এই পবিত্ৰ মুহূৰ্তত আমাৰ মহান গণৰাজ্যখনক সংবিধানখন উপহাৰ দিয়া পিতৃপুৰুষ সকলক মই গভীৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। এই সংবিধানখনে জনসাধাৰণৰ আদৰ্শ আৰু আকাংক্ষাক প্ৰতিফলিত কৰি এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্যৰ নিশ্চিতি দিয়াৰ লগতে দেশ গঢ়াৰ অনুশীলনক সাকাৰ কৰিছে।

মই জাতিৰ পিতা মহাত্মা গান্ধী তথা আমাক স্বাধীনতাৰ দৰে অমূল্য উপহাৰ দিবলৈ চূড়ান্ত ত্যাগ স্বীকাৰ কৰা মহান মুক্তিযুঁজাৰুসকলৰ প্ৰতিও মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

এই পবিত্ৰ ক্ষণতে আমাৰ সাহসী সেনা, অৰ্দ্ধ সামৰিক বাহিনী আৰু ৰাজ্যিক আৰক্ষী বাহিনীলৈ শ্ৰদ্ধাৰে অভিবাদন জনাইছোঁ। তদুপৰি, সীমান্তত দেশখনৰ সাৰ্বভৌমত্ব আৰু সংহতি সুৰক্ষিত কৰিবলৈ নিজৰ জীৱন উচৰ্গা কৰা সেই বীৰসকললৈও মোৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

**মোৰ শ্ৰদ্ধাৰ অসমবাসী ৰাইজ,**

পাৰহৈ যোৱা বছৰটো আমাৰ সকলোৰে বাবে আছিল অত্যন্ত প্ৰত্যাহ্বানমূলক। কৰ'না ভাইৰাছ অতিমাৰীয়ে আমাৰ ধৈৰ্য্য আৰু পুনৰ উজ্জীৱিত হোৱাৰ সামৰ্থৰ পৰীক্ষা লৈছিল। এই অতিমাৰীত আমাৰ অনেক আত্মীয়ৰ প্ৰাণ গ'ল। এই মুহূৰ্তত আমাক এৰি থৈ স্বৰ্গগামী হোৱা আটাইয়ে চিৰশান্তি লাভ কৰাৰ বাবে মই প্ৰাৰ্থনা জনোৱাৰ লগতে দুৰ্ভগীয়া পৰিয়ালবৰ্গলৈও মোৰ সমবেদনা জ্ঞাপন কৰিছোঁ। সমগ্ৰ বিশ্বই এই অতিমাৰীত কক্‌বকাই থকাৰ সময়তে এই অদৃশ্য শত্ৰুৰ বিৰুদ্ধে সন্মুখৰ পৰা নেতৃত্ব দিয়া মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰে এগৰাকী নেতাক লাভ কৰাটো আমাৰ দেশখনৰ বাবে এক সৌভাগ্য। তদুপৰি, আমাৰ চিকিৎসা তথা পেৰামেডিকেল কৰ্মচাৰীসকল, আৰক্ষী আৰু বিভিন্ন চৰকাৰী বিভাগৰ কৰ্মচাৰীসকলৰ উপৰি সৰ্বান্তঃকৰণেৰে সমৰ্থন আৰু সহযোগিতা আগবঢ়োৱা ৰাজ্যখনৰ জনসাধাৰণৰ সাহসী আত্মোৎসৰ্গাৰ সহায়ত আমি স্বাভিমানেৰে এই যুঁজখনত এঘড়ী যুঁজিবলৈ সক্ষম হৈছোঁ। মই দৃঢ় বিশ্বাসী যে আপোনালোকৰ অকুণ্ঠ সমৰ্থনে অনাগত দিনবোৰত এনে প্ৰত্যাহ্বানমূলক পৰিস্থিতিক সফলতাৰে অতিক্ৰম কৰাত আমাক সহায় কৰিব।

জনসাধাৰণৰ পবিত্ৰ প্ৰেম, আশীৰ্বাদ আৰু সহযোগিতাৰে অসম চৰকাৰে নিকা, ফলপ্ৰসু, স্বচ্ছ আৰু দায়বদ্ধ সুপ্ৰশাসন অনাৰ বাবে প্ৰশাসনত গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিবলৈ নিৰৱচ্ছিন্ন প্ৰয়াস চলাই আছে। যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে চৰকাৰখনৰ শূণ্য সহনশীলতা নীতি, মানৱ সৰবৰাহৰ বিৰুদ্ধে চলাই থকা যুঁজখন আৰু শান্তি প্ৰতিষ্ঠাৰ অগ্ৰণী প্ৰয়াসে আজি সুফল দিবলৈ আৰম্ভ কৰিছে। একেদৰে, অসম আৰু মেঘালয়ৰ মাজত চলি থকা আন্তঃৰাজ্যিক সীমা সম্পৰ্কীয় মতবিৰোধসমূহ

আলাপ আলোচনাৰ জৰিয়তে সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তিৰ বাবে লোৱা পদক্ষেপে আমাৰ সাতামপুৰুষীয়া সম্পৰ্কক পুনৰ মজবুত কৰি তোলাৰ পথ মুকলি কৰিছে।

মাননীয় প্ৰধানমন্ত্ৰীৰ 'সব কা সাথ, সব কা বিকাশ, সব কা বিশ্বাস ঔৰ সব কা প্ৰয়াস' দৃষ্টিভঙ্গীক সাৰোগত কৰি অসম চৰকাৰে চৰকাৰখনৰ উন্নয়ন সম্পৰ্কীয় দূৰদৃষ্টিৰ মূল আধাৰ স্বৰূপ দুখীয়া তথা অৱহেলিত, কৃষক তথা শ্ৰমিকসকলৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি ৰাজ্যখনৰ প্ৰতিগৰাকী লোকৰে জীৱন ধাৰণৰ মান উন্নীত কৰিবলৈ বিশেষ পদক্ষেপ লৈছে। 'মিছন বসুন্ধৰা' ৰ জৰিয়তে খিলঞ্জীয়া লোকসকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ লোৱা প্ৰয়াসসমূহ, 'প্ৰকল্প সদ্ভাৱনাৰ'ৰ জৰিয়তে সু-প্ৰশাসন নিশ্চিত কৰা, নিম্নতম সমৰ্থিত মূল্যত শস্য আহৰণৰ বাবে লোৱা পদক্ষেপসমূহ, হস্তশিল্প খণ্ডক উজ্জীৱিত কৰি তুলিবলৈ প্ৰৰ্বতন কৰা নতুন নীতি আদি হ'ল পণ্ডিত দীনদয়াল উপাধ্যায়জীৰ মানসসৃষ্ট, 'অন্ত্যোদয়া'ৰ লক্ষ্যক বাস্তবায়িত কৰাৰ বাবে চৰকাৰখনৰ দায়বদ্ধ প্ৰয়াসৰ কেইটামান উদাহৰণ।

**মোৰ মৰমৰ বন্ধুসকল,**

বৰ্তমানৰ চৰকাৰখনে আমাৰ ৰাজ্যখনত অসম আৰক্ষীয়ে সম্পাদন কৰা কামৰ জটিলতাক সম্পূৰ্ণ ৰূপে চিনাক্ত কৰিছে আৰু এই বিভাগটো আধুনিকীকৰণৰ বাবে সম্ভাব্য সকলো পদক্ষেপ ল'বলৈ চৰকাৰখনে নিৰৱচ্ছিন্ন প্ৰয়াস চলাই আছে।

চৰকাৰখনে পাঁচটা নতুন কমাণ্ডো বেটেলিয়নত এ বি কনিষ্টবলৰ ২৪৫০ টা পদ পূৰণৰ বাবে ইতিমধ্যে বিজ্ঞাপন প্ৰকাশ কৰিছে, যিয়ে ৰাজ্যখনৰ হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ নতুন পথ মুকলি কৰিছে।

আপোনালোকে ইতিমধ্যে জ্ঞাত যে চৰকাৰখনে যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে শূণ্য সহনশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, লাগিলে ই নিচাযুক্ত ঔষধৰ বেহাই হওক বা মহিলা তথা শিশুৰ বিৰুদ্ধে অপৰাধ, মানৱ সৰবৰাহ, গৰুৰ চোৰাং বেহা, চাইবাৰ অপৰাধ ইত্যাদিয়ে হওক। এই ক্ষেত্ৰত ২০২১ বৰ্ষত ৰাজ্যখনত এন ডি পি এছ আইনৰ অধীনত ২১৫২ টা গোচৰ পঞ্জীয়ন কৰি মুঠ ৩৬৪৩ জন লোকক গ্ৰেপ্তাৰ কৰা হয় য'ত ৬৪ কেজি হেৰইন, ১৮,৫৯০ কেজি গাঞ্জা, ৬৯ কেজি আফিং, ৩১৬৪৭২৬ টা টেবলেট আৰু ১৫৫৮৫১ টা কাফ চিৰাপৰ বটল আৰু ২ কোটি ৩৬ লাখ নগদ ধন উদ্ধাৰ হৈছে । তদুপৰি, চি আই ডি, অসমৰ দ্বাৰা Drugs free Assam নামৰ এটা ম'বাইল এপ বিকশাই তোলা হৈছে যাতে অসমক এখন ড্ৰাগছ মুক্ত ৰাজ্য কৰি তোলাৰ বাবে সমাজৰ যিকোনো লোকে যিকোনো ঠাইৰ পৰা ড্ৰাগছ সম্পৰ্কীয় অপৰাধৰ বিষয়ে আৰক্ষীক তথ্য যোগান ধৰিব পাৰে।

ইয়াৰ উপৰিও, গৰুৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ ফলত ২০২১ বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা ২০২১ বৰ্ষৰ ৩১ অক্টোবৰলৈকে ৬৮৫ টা গোচৰ পঞ্জীয়ন কৰা হৈছে আৰু ১৮৪ খন বাহন আৰু ৭১০৯ টা গৰু জব্দ কৰাৰ লগতে ৫২০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

২০২১ বৰ্ষৰ ৪ ছেপ্টেম্বৰত ৪ টা কাৰ্বি সংগঠন ক্ৰমে - কে পি এল টি, কে এল এন এল এফ, পি ডি চি কে আৰু ইউ পি এল এ - ই অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি

(MoS) ত স্বাক্ষৰ কৰে। আন চাৰিটা উগ্ৰপন্থী গোট ক্ৰমে - এন এছ এল এ, এ ডি এফ, এন এল এফ বি, ইউ পি আৰ এফ - য়েও অসম চৰকাৰৰ ওচৰত সামগ্ৰিকভাৱে আত্মসমৰ্পণ কৰে। ২০২১ বৰ্ষৰ ২৪ ছেপ্টেম্বৰ আৰু ১৩ নৱেম্বৰত ডি এন এল এ -ৰ অধ্যক্ষ, সেনাধ্যক্ষ, উপ-সেনাধ্যক্ষ, সাধাৰণ সম্পাদকে ৪৫ জন আন কেডাৰৰ সৈতে কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰে। ডি এন এল এ য়েও ২০২১ বৰ্ষৰ ২৮ অক্টোবৰত অসম চৰকাৰৰ সৈতে যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰে আৰু সংগঠনটোৱে এতিয়া আনুষ্ঠানিক অস্ত্ৰ সম্বৰণ অনুষ্ঠানলৈ অপেক্ষা কৰি আছে।

এই সময়ছোৱাত আলফা (স্বাধীন)ৰ ভাৰপ্ৰাপ্ত ৰেষ্টাৰ্ণ কমাণ্ডাৰ সহ ৭ গৰাকী DNLA, ১ গৰাকী NLFB, দুগৰাকী ULB আৰু ৩ গৰাকী UPRF উগ্ৰপন্থীকে ধৰি ১৪ গৰাকী দুৰ্ধৰ্ষ উগ্ৰপন্থী নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সুকীয়া সুকীয়া সংঘৰ্ষত নিহত হয়। NLFB আৰু ULB নামৰ নৱগঠিত দুটা বড়ো উগ্ৰপন্থী গোটৰ আটাইবোৰ কেডাৰে কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰাত গোট দুটা নিষ্ক্ৰিয় হৈ পৰিছে।

ৰাজ্যখনৰ সৰ্বাংগীণ আন্তঃগাঁথনি উন্নয়নৰ প্ৰতি ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

অসমৰ পথ যোগাযোগ খণ্ডটোৰ উল্লেখযোগ্য পৰিৱৰ্তন সাধন হৈছে।

ধ্বজাবাহী অসম মালা আঁচনিৰ অধীনত ৰাজ্যখনৰ ৰাজ্যিক ঘাইপথ আৰু জিলাৰ প্ৰধান পথসমূহৰ উন্নয়ন সাধন আৰু বহলকৰণৰ কাম গুৰুত্বসহকাৰে কৰি থকা হৈছে। ১৮ টা ঠিকা পেকেজৰ অন্তৰ্গত প্ৰায় ২৬১ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ কাম SOPD পৰ্যায়ৰ অধীনত হাতত লোৱা হৈছে। ইয়াৰে ২৮.৯ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ এটা পেকেজৰ কাম সম্পূৰ্ণ কৰা হৈছে। ১১.৪ কিঃমিঃ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত শিঙিমাৰী-শুৱালকুছি পথৰ আন এটা পেকেজৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। বাকী থকা পেকেজসমূহৰ কামৰ অগ্ৰগতি বিভিন্ন পৰ্যায়ত আছে আৰু এই কাম বিশেষকৈ ২০২৩ চনৰ আগতে সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। সকলো পেকেজৰ বাবে নিবিদা আহ্বান কৰা হৈছে আৰু এই কাম প্ৰদান কৰা হৈছে। এই পথসমূহৰ ভিতৰত ঐতিহাসিক ধোদৰ আলিৰ অংশবিশেষো আছে। ই ৰাইজৰ বহুদিনীয়া প্ৰত্যাশা পূৰণ কৰিব, কিয়নো লখিমপুৰৰ পৰা মাজুলীলৈ পথ যোগাযোগ ব্যৱস্থা প্ৰদান কৰিবলৈ ধূনাগুৰিত সোৱণশিৰি আৰু লুইতৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা দুখন বৃহৎ দলঙক ই সামৰি লৈছে।

ARNIP ৰ অধীনত প্ৰায় ৩১২ কিঃমিঃ দৈৰ্ঘ্যৰ আন ৬ টা পথৰ কাম হাতত লোৱা হৈছে। পথ নিৰ্মাণৰ এই সকলো পেকেজৰ নিবিদা আহ্বানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰে ভিতৰত ডিমা হাচাও, কাৰ্বি আংলং আৰু বি টি আৰত এটাকৈ মুখ্য পথ সামৰি লোৱা হৈছে।

২০২২ চনৰ এপ্ৰিলৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। তদুপৰি প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাও সফলতাৰে ৰূপায়ণ কৰা হৈছে। ২৮,০০০ কিঃমিঃতকৈ অধিক পথৰ কাম সম্পূৰ্ণ কৰি বিভাগে নতুন যোগাযোগ ব্যৱস্থাৰ বাবে PMGSY-I আৰু PMGSY-II ৰ সকলো পথৰ কাম ২০২২ ৰ ৩১ মাৰ্চৰ আগতে সম্পূৰ্ণ কৰি তুলিব।

ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা III ৰ অধীনত মঞ্জুৰিকৃত ২৭৬০ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ কামৰ ভিতৰৰ ৯৪১ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ কাম সম্পূৰ্ণ কৰা হৈছে। বাকী থকা ১৮১৯ কিঃমিঃ

দৈৰ্ঘ্যৰ পথৰ কাম চলি আছে। অনুমোদিত ২৬০৮ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী Extradosed PSC দলং নিৰ্মাণ প্ৰকল্পৰ কাম ২০২৩ ৰ আগষ্টত সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে পূৰ্ণগতিত চলি আছে। ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী আৰু শুৱালকুছি সংযোগী আন এখন বৃহৎ দলং নিৰ্মাণৰ কাম বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প হিচাপে হাতত লোৱা হৈছে। এই প্ৰকল্পটোৰ প্ৰস্তুতিমূলক কাম-কাজ ইতিমধ্যে আৰম্ভ কৰা হৈছে। NESIDS আঁচনিৰ অধীনত অনুমোদিত ২৮১ কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ৬৮ কিঃমিঃ দৈৰ্ঘ্যৰ লংকা-উমৰাংচু পথৰ বহলকৰণৰ কাম চলি আছে।

**মোৰ মৰমৰ ভাতৃ-ভগ্নীসকল,**

শিক্ষা খণ্ডটোত মোৰ চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। গোলাঘাট আৰু ধেমাজিত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কাম-কাজ চলি আছে আৰু শুৱালকুছি, বিহালী, বঙাইগাঁও, চামগুৰি, নলবাৰী আৰু ওদালগুৰিত ৬ খন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য তথা মাজুলী আৰু টিংখঙত পলিটেকনিকৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ হৈছে। তদুপৰি ৬ খন চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ কাম হাতত লোৱা হৈছে আৰু অসমৰ সংখ্যালঘু প্ৰধান অঞ্চলত ৯ খন মহিলা স্নাতক মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। অসমৰ চাহ বাগিচা অঞ্চলৰ বাবে ১১৯ খন হাইস্কুল নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰৰ ৪ খন হাইস্কুলৰ নিৰ্মাণকাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। ইয়াৰ উপৰি অসমৰ বিভিন্ন স্থানত ১০ খন আইন মহাবিদ্যালয় আৰু ৰাজ্যখনৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত ২১ খন আদৰ্শ আৱাসিক বিদ্যালয় নিৰ্মাণৰ কাম চলি আছে।

**বন্ধুসকল,**

সাংস্কৃতিক খণ্ডৰ উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। নাৰায়ণপুৰত শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰ, নগাঁৱৰ বটদ্ৰৱাস্থিত বটদ্ৰৱা থানক সাংস্কৃতিক আৰু পৰ্যটনৰ স্থান হিচাপে উন্নয়ন সাধন, ঢেকিয়াজুলিত এটা সভাগৃহসহ শ্বহীদ উদ্যানৰ উন্নয়ন সাধন আৰু জামুগুৰিহাটত বাৰেচহৰীয়া ভাওনাৰ আন্তঃগাঁথনিগত উন্নয়ন সাধনৰ কাম বৰ্তমানে চলি আছে। তদুপৰি গুৱাহাটীৰ বৰাগাঁৱত এখন শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

বিজ্ঞান আৰু প্ৰযুক্তিখণ্ডত ৬ টা জিলা বিজ্ঞান কেন্দ্ৰ তথা তাৰকাগৃহ, ১১ টা জিলা বিজ্ঞান কেন্দ্ৰ, সন্মিলন কেন্দ্ৰ আৰু গুৱাহাটীৰ টেপেচিয়াত প্ৰস্তাৱিত বিজ্ঞান মহানগৰ প্ৰকল্পত স্পেচ অ'ডিচী ভৱন চাইন্স ডিছকোভাৰী কমপ্লেক্স নিৰ্মাণৰ কাম বৰ্তমানে চলি আছে।

ক্ৰীড়া খণ্ডটোত ডিব্ৰুগড়, লখিমপুৰ আৰু শুৱালকুছিত ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে আৰু ৰাজ্যখনত ৪০ খন মিনি ষ্টেডিয়াম আৰু ১০ খন জিলা ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনাও আছে।

২০২১-২২ বিত্তীয় বৰ্ষত ২০২১-২২ বাৰ্ষিক পৰিকল্পনাৰ অধীনত NH (O) শিতানত ১৬৭১ কোটি টকাৰ ২২ খন প্ৰাককলন অনুমোদনৰ বাবে মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰা হৈছে। বৰ্তমানলৈকে

ইয়াৰ ভিতৰৰ ১৭৮ কোটি টকাৰ ৮ টা কামত অনুমোদন লাভ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত যোৰহাটৰ সৈতে মাজুলী নদীদ্বীপ সংযোগী দলঙৰ নিৰ্মাণকাৰ্য ২৯ নৱেম্বৰ, ২০২১ত আৰম্ভ কৰা হৈছে।

২০২০-২১ বৰ্ষত ৰাজ্য চৰকাৰে ৰাজ্যিক বাজেট (SOPD) ৰ পৰা ৪৬৫.৬৯ কোটি টকা বিনিয়োগ কৰি ৮৫.৪৬ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতি /উন্নয়ন সাধনৰ কাম হাতত লৈছে। ২০২১-২২ বিত্তীয় বৰ্ষত ৮.২৯৩২ কোটি টকাৰ ৩ টা প্ৰস্তাৱো গ্ৰহণ কৰা হৈছে।

মিছন চাৰিআলিত এছ অ' পি ডিৰ অধীনত ৩১৪.৯৮ কোটি টকা ব্যয় সাপেক্ষে ৩৭ (ক) নং ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী চাৰি লেনযুক্ত উৰণীয়া সেঁতুৰ নিৰ্মাণৰ কাম ২৯.০১.২০২১ ত নিৰ্মাণকাৰী সংস্থাক প্ৰদান কৰা হৈছে।

৭১৫ (ক) নং ৰাষ্ট্ৰীয় ঘাইপথত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত মৰিগাঁও আৰু ৰৌতা-ওদালগুৰি পথ সংযোগী বৃহৎ আৰ.চি.চি দলং নিৰ্মাণৰ সম্ভাৱনীয়তা সম্পৰ্কে অধ্যয়ন চলি আছে।

অসম চৰকাৰে কৰ্মচাৰী বিভাগৰ জৰিয়তে কনিষ্ঠ অভিযন্তা আৰু চিকিৎসা সেৱাৰ লগত জড়িত কৰ্মচাৰীকে ধৰি সকলো শ্ৰেণীৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ আন্তঃজিলা বদলিকৰণৰ বাবে জিলা উপায়ুক্তসকলক কৰ্তৃত্ব প্ৰদান কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে জিলাৰ ভিতৰত কৰ্মচাৰীসকলৰ সেৱাক যুক্তিসংগত কৰি তোলা আৰু বিভিন্ন আঁচনিৰ ৰূপায়ণ ক্ষিপ্ৰতৰ কৰি তোলা।

প্ৰাক্তন সৈনিকসকলে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱাৰ স্বীকৃতিৰূপে অসম চৰকাৰে কৰ্মচাৰী বিভাগৰ জৰিয়তে 'অসম প্ৰাক্তন সৈনিক বিধি, ২০২১' খনত অনুমোদন দিছে। ইয়াৰ অধীনত প্ৰাক্তন সৈনিকসকলৰ বাবে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত ২ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২ শতাংশৰ ২৫ শতাংশ পদ দিব্যাংগ প্ৰাক্তন সৈনিক আৰু কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা সৈনিকৰ পৰিয়ালৰ বাবে সংৰক্ষণ কৰা হৈছে আৰু বাকী ৭৫ শতাংশ পদ অন্যান্য প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষণ কৰা হৈছে।

দুখন স্বতন্ত্ৰ মকৰল আয়োগ গঠন কৰিবলৈ লোৱা হৈছে। ইয়াৰে এখন আয়োগ তৃতীয় বৰ্গৰ কৰ্মচাৰী মকৰলৰ বাবে আৰু আনখন চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ মকৰলৰ বাবে। ইয়াৰ বাবে "Assam Direct Recruitment Commissions for Analogous Post in Class-III and Class-IV Bill, 2021" খন অনা হৈছে। ইয়াৰ দ্বাৰা অসম চৰকাৰৰ অধীনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদসমূহৰ প্ৰত্যক্ষ মকৰল ব্যৱস্থাটো থানথিত লগাবলৈ তথা শৃংখলাবদ্ধ কৰিবলৈ বিচৰা হৈছে।

অসম চৰকাৰৰ অধীনৰ চৰকাৰী পদসমূহত নিয়োগৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ চৰিত্ৰ তথা গুৰিগোষ্ঠী সম্পৰ্কে সত্যাসত্য নিৰূপণ কৰিবলৈ নিৰ্বাচিত প্ৰাৰ্থীসকলে আৰক্ষীৰ পৰা সত্যাসত্য নিৰূপন সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰাৰ পৰিৱৰ্তে এখন যথোপযুক্ত শপতনামা দাখিল কৰিলেই হ'ব।

জানুৱাৰী, ২০২১ ৰ পৰা জানুৱাৰী, ২০২২ লৈ এই সময়ছোৱাত অসম লোকসেৱা আয়োগে অসম চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগৰ বাবে ২০ টা লিখিত/স্ক্ৰীণিং পৰীক্ষা আৰু ১৫ টা ব্যক্তিত্ব নিৰূপণ পৰীক্ষা/সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছে। এই প্ৰক্ৰিয়াত মুঠ ১২৯৮ গৰাকী প্ৰাৰ্থীৰ সাক্ষাৎকাৰ গ্ৰহণ কৰা হয় আৰু ৩৮৫ গৰাকী প্ৰাৰ্থীক নিয়োগৰ বাবে অনুমোদন জনোৱা হয়।

২০২১ চনৰ এপ্ৰিলৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত সাহায্য অনুদান/অন্যান্য ৰাজ্যিক আৰু

কেন্দ্ৰীয় চৰকাৰৰ বিভাগ/ডি অ' পি টি- ভাৰত চৰকাৰৰ অধীনত মুঠ ৫৭ টা অনলাইনযোগে তথা শ্ৰেণীকোঠাত প্ৰদান কৰা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল আৰু ইয়াত ১৪২২ গৰাকী বিষয়াই অংশগ্ৰহণ কৰিছিল।

'কৰ্মশ্ৰী বঁটা- ৰাজহুৱা প্ৰশাসন ব্যৱস্থাত উৎকৰ্ষতাৰ বাবে মুখ্যমন্ত্ৰীৰ বঁটা (ৰাজহুৱা প্ৰশাসন ব্যৱস্থাত উৎকৰ্ষতাৰ বাবে প্ৰধানমন্ত্ৰীৰ বঁটাৰ আৰ্হিত)' ৰ বাবে নতুন নীতি-নিৰ্দেশনাসমূহত অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুমোদন দিছে। ২০২০-২১ বৰ্ষৰ কৰ্মশ্ৰী বঁটাৰ বাবে পঞ্জীয়ন তথা আবেদনপত্ৰ দাখিলৰ শেষ তাৰিখ ২০২২ চনৰ ৩১ জানুৱাৰী হিচাপে স্থিৰ কৰা হৈছে।

অসম নাগৰিককেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্পৰ অধীনত এন আই চি, অসমৰ জৰিয়তে "online Assam Right to Public Service (ARTPS) Portal" নামৰ এটা ব্যৱহাৰকাৰীৰ অনুকূল প'ৰ্টেল বিকশাই তোলা হৈছে। এই প'ৰ্টেলটো মাননীয়া কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণে উদ্বোধন কৰে।

Grievance Redressal Management (GRM) Application টো Centralised Public Grivance Redress and Monitoring System (CPGRAMS) ৰ সৈতে সংলগ্ন কৰা হৈছে আৰু ৰাজ্যখনৰ ৩৩ খন জিলাত ৩২৫ টা ৰাজহুৱা সা-সুবিধা কেন্দ্ৰ স্থাপনৰ দ্বাৰা শুল্কবিহীন কল চেণ্টাৰৰ সেৱা উপলব্ধ হৈ আছে।

২০২১-২২ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে মাজুলী, শিলচৰ, গুৱাহাটী আৰু বঙাইগাঁৱত প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ অৰ্থে ২ কোটি টকা ধাৰ্য্য কৰা হৈছে।

'বড়োলেণ্ড বিভাগৰ কল্যাণ', 'বড়োলেণ্ড প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়' আৰু 'খিলঞ্জীয়া আৰু জনজাতিৰ ঐতিহ্য-সংস্কৃতি সংৰক্ষণ বিভাগ' (Indigenous and Tribal Faith and Culture Department) গঠন কৰা হৈছে।'

**মোৰ শ্ৰদ্ধাৰ নাগৰিকসকল,**

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইন (MGNREGA) হৈছে ভাৰত চৰকাৰৰ এখন ধ্বজাবাহী আঁচনি। এই আঁচনিখন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত দৈনিক মজুৰিৰ পৰিমাণ ২১৩ টকাৰ পৰা ২২৪ টকালৈ বৃদ্ধি কৰা হৈছে।

এম জি এনৰেগাৰ অধীনত সাধাৰণ ভূমি আৰু ব্যক্তিগত ভূমিত ব্যাপকভাৱে চন্দন, অগৰ আৰু চোম গছৰ গছপুলি ৰোপণ আৰু শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান তথা সমূহীয়া অনুষ্ঠানসমূহৰ পুখুৰীত মীন পালনৰ ব্যৱস্থা কৰা হৈছে।

প্ৰধানমন্ত্ৰী আৱাস যোজনা হৈছে ভাৰত চৰকাৰৰ আন এখন ধ্বজাবাহী আঁচনি। ইয়াৰ উদ্দেশ্য হৈছে 'সকলোৰে বাবে গৃহ' প্ৰদান কৰা। এই আঁচনিৰ অধীনত লক্ষ্য নিৰ্ধাৰিত হিতাধিকাৰীৰ সংখ্যা হৈছে ৭,৬৮,৬০০ । ইয়াৰে ৭,৩৫,৭৯২ টা গৃহ মঞ্জুৰ কৰা হৈছে আৰু এতিয়ালৈকে ৪,৫২,০৬৪ টা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। 'কেঁচা ঘৰ'ৰ সংশোধিত সংজ্ঞা অনুসৰি অসমত আন ৭ লাখ

হিতাধিকাৰীক অতিৰিক্তভাৱে সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী ভূমিত বাস কৰা ভূমিহীন হিতাধিকাৰীসকলক সামৰি ল'বলৈ বিভাগে ক্লাষ্টাৰ গৃহ নিৰ্মাণৰ বাবে এক নতুন আৰ্হি গ্ৰহণ কৰিছে। ডিব্ৰুগড়, কাছাৰ আৰু হাইলাকান্দি জিলাত ক্লাষ্টাৰ গৃহ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে।

২০২১ চনৰ নৱেম্বৰ মাহলৈকে ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, অসমে ৮৫,২২২ গৰাকী লোকক প্ৰশিক্ষণ প্ৰদান কৰিছে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহলৈ অধিক উন্নত আন্তঃগাঁথনিগত সা-সুবিধা আগবঢ়োৱাৰ অৰ্থে ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ অধীনত এই প্ৰতিষ্ঠানে পঞ্চায়ত ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰিছে।

'অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান'ৰ অধীনত ২০২১ চনৰ নৱেম্বৰৰ ভিতৰত ৩২.৭০ লাখ পৰিয়ালক সামৰি সমগ্ৰ ৰাজ্যখনতে মুঠ ৩ লাখ আত্মসহায়ক গোটক উদগনি জনোৱা হৈছে। এই গোটসমূহক সবল কৰি তুলিবলৈ চৰকাৰে এতিয়ালৈকে ২.৬৩ লাখ টা আত্মসহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি হিচাপে ৫৬৯.৬১ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়াইছে। সেইদৰে এতিয়ালৈকে ১.৪২ লাখ টা আত্মসহায়ক গোটলৈ ৮০৪.৪১ কোটি টকাৰ সমূহীয়া বিনিয়োগ পুঁজি প্ৰদান কৰা হৈছে। এতিয়ালৈকে ২.৩৮ লাখতকৈ অধিক আত্মসহায়ক গোটে মুঠ ২.৫২ কোটি টকাৰ ঋণ লাভ কৰিছে।

অসম চৰকাৰৰ ধ্বজাবাহী আঁচনি 'কনকলতা সবলীকৰণ যোজনা'-ৰ অধীনত ২.৫৪ লাখ টা আত্মসহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি হিচাপে মুঠ ৩৯৭.৯০ কোটি টকা প্ৰদান কৰা হৈছে।

'বিস্তাৰিত কনকলতা সবলীকৰণ যোজনা'ৰ অধীনত অতিৰিক্তভাৱে ৮৬,০০০ টাতকৈ অধিক আত্মসহায়ক গোটলৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

'দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা' (DDU-GKY)ৰ অধীনত ২০২১ চনৰ অক্টোবৰলৈকে অট'ম'বাইল, স্বাস্থ্যসেৱা, আতিথ্যসেৱা, বি পি অ', ঔদ্যোগিক চিলাই মেচিন চালক ইত্যাদিৰ লেখীয়া বিভিন্ন শাখাত মুঠ ৫৩,৩২১ গৰাকী গ্ৰাম্য যুৱক-যুৱতীলৈ মজুৰি ভিত্তিক নিয়োগৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু মুঠ ২৯,৯০০ গৰাকী যুৱক-যুৱতীক বিভিন্ন প্ৰতিষ্ঠানত চাকৰি প্ৰদান কৰা হৈছে। গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীনত ২০২১ ৰ অক্টোবৰলৈকে ১,০৮,১৯২ গৰাকী যুৱক-যুৱতীক স্ব-নিয়োজনৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰে বেছি সংখ্যক লোকেই তেওঁলোকৰ নিজা ব্যৱসায় স্থাপন কৰিবলৈ সক্ষম হৈছে।

অসমত ৬৩,৩৫,০১৫ টা গ্ৰাম্য পৰিয়াল আছে। ইয়াৰে ১৭,২৫,৯১১ টা পৰিয়ালক (অৰ্থাৎ ২৭.২৪ শতাংশ) জল জীৱন অভিযান আৰম্ভ কৰাৰে পৰা টেপযুক্ত পানীৰ যোগান ব্যৱস্থাৰে (Functional Household Tap connection) সামৰি লোৱা হৈছে। ২০২১-২২ বিত্তীয় বৰ্ষত মুঠ ২২,৬২,৭৩৫ টা পৰিয়াললৈ এই পানী যোগান ব্যৱস্থাৰে সামৰি ল'বলৈ লক্ষ্য স্থিৰ কৰা হৈছে। ১৬ ডিচেম্বৰ, ২০২১ লৈকে ১০,৫৮,৫৪৮ টা গ্ৰাম্য পৰিয়াললৈ ইতিমধ্যে টেপযুক্ত পানী যোগান ব্যৱস্থা আগবঢ়োৱা হৈছে আৰু বাকী থকা ১২,০৪,১৮৭ টা পৰিয়াললৈ ২০২২ ৰ ৩১ মাৰ্চৰ আগতে এই ব্যৱস্থা আগবঢ়োৱা হ'ব।

তদুপৰি অসমৰ গ্ৰামাঞ্চলৰ ২৬,৩৫৪ খন বিদ্যালয়, ১১,৭৯৪ টা অংগনৱাড়ী কেন্দ্ৰ আৰু ৬০৫ টা গাঁও পঞ্চায়ত গৃহ, সমূহীয়া কেন্দ্ৰ তথা অন্যান্য চৰকাৰী গৃহলৈ এই বিত্তীয় বৰ্ষত জলজীৱন অভিযান আঁচনিৰ অধীনত অবিৰত পানী যোগানৰ সুবিধা আগবঢ়োৱা হৈছে। মুঠ ১৭৩৮ খন গাঁও, ৩ খন গাঁও পঞ্চায়তক এই আঁচনিৰে ১০০ শতাংশ সামৰি লোৱা হৈছে।

Leftout of baseline ৰ অধীনত শৌচালয় নিৰ্মাণৰ ক্ষেত্ৰত ১০০ শতাংশ সফলতা লাভ কৰা হৈছে আৰু কোনো যাতে বাদ পৰি নাযায় সেইটো সুনিশ্চিত কৰা হৈছে।

২০২৪-২৫ ৰ আগতে এবাৰ ব্যৱহাৰৰ উপযোগী প্লাষ্টিকৰ ব্যৱহাৰ ৰোধ কৰিবলৈ এছ বি এম জিয়ে খণ্ড উন্নয়ন পৰ্যায়ত ৭ টা পি ডব্লিউ এম ইউ-ৰ কাম সম্পূৰ্ণ কৰিছে। তদুপৰি গোবৰ-ধন আঁচনিৰ অধীনত ১১ টা গোট নিৰ্মাণ কৰা হৈছে। মুঠ ১৭ খন গাঁৱক মুক্ত স্থানত মলত্যাগ মুক্ত গাঁও হিচাপে ঘোষণা কৰা হৈছে।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত যোগান শৃংখল ব্যৱস্থাপনাৰ সম্পূৰ্ণৰূপে কম্পিউটাৰকৰণৰ অংশ হিচাপে অসম চৰকাৰে সকলো নিৰ্বাচিত হিতাধিকাৰীৰ তথ্য আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ দোকানৰ তথ্য ডিজিটেলকৰণৰ কাম কৰি আছে।

চৰকাৰে ৰাজ্যিক আৰু জিলা উপভোক্তা আয়োগৰ সভাপতি আৰু সদস্যৰ পদসমূহ পূৰণ কৰিছে।

মানৱ সেৱাৰ ক্ষেত্ৰত ব্যতিক্ৰমী সেৱা/উৎকৃষ্ট কাম-কাজ প্ৰদৰ্শনৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰে ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা প্ৰৱৰ্তন কৰিছে। এই বঁটাসমূহ হ'ল 'অসম বৈভৱ', 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ'। আপোনালোকে নিশ্চয় অৱগত যে বিগত বৰ্ষৰ এই বঁটাসমূহ যোৱা ২৪ জানুৱাৰী, ২০২২ ত গুৱাহাটীত হৈ যোৱা এক অনুষ্ঠানত ১৯ গৰাকী বিশিষ্ট ব্যক্তিলৈ প্ৰদান কৰা হৈছে।

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক ২০২২ চনৰ ৬ আৰু ৭ জানুৱাৰী তাৰিখৰ এই দুটা দিন তেওঁলোকৰ জীৱিত পিতৃ-মাতৃ আৰু শহুৰ-শাহুৰ সৈতে কটাবলৈ ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীলৈ বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰা হৈছিল।

**মোৰ শ্ৰদ্ধাৰ নাগৰিকসকল,**

ৰাজ্য চৰকাৰে প্ৰদান কৰা অবিৰত গুৰুত্বৰ ফলত ৰাজ্যখনৰ কৃষিখণ্ডটোত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। মাহজাতীয় শস্যৰ উৎপাদন ২০১৫-১৬ বৰ্ষৰ ১.০৭ লাখ মেট্ৰিকটনৰ পৰা ২০২০-২১ বৰ্ষত ১.১১ লাখ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে আৰু ২০২১-২২ বৰ্ষত এই পৰিমাণ ১.৬৫ লাখ মেট্ৰিকটন হোৱাৰ সম্ভাৱনা আছে। গোমধানৰ উৎপাদন ০.৮৭ লাখ মেট্ৰিকটনৰ পৰা ১.০৯ লাখ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। এই পৰিমাণ ২০২১-২২ বৰ্ষত ১.৯৫ লাখ মেট্ৰিকটন পৰ্যন্ত বৃদ্ধি পাব বুলি আশা কৰা হৈছে। সেইদৰে খাদ্য শস্যৰ পৰিমাণ ৫৩.৫৮ লাখ মেট্ৰিকটনৰ পৰা ৫৫.৩৭ লাখ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে।

কৃষি যান্ত্ৰিকীকৰণৰ দিশত ফলপ্ৰসূভাৱে আগবাঢ়িব পৰাকৈ ২০২১-২২ বৰ্ষত মুঠ ৭২৯৩ খন পাৱাৰ টিলাৰ, ২৩০০ টা পাম্পছেট, ১০০ টা ধান মৰণা মৰা যন্ত্ৰ, ৯৬১ টা শস্য চপোৱা যন্ত্ৰ, ১৪৫৯ টা

গুৰি কৰা যন্ত্ৰ (Pulverizer), ১২১৩ খন ৰ'টাভেটৰ হিতাধিকাৰীসকললৈ বিতৰণ কৰা হ'ব।

চলিত বিত্তীয় বৰ্ষত তাল গছৰ খেতিৰ ক্ষেত্ৰত চৰকাৰে ৪ খন তাল তেলৰ নাৰ্চাৰী, ১ খন বীজৰ বাগিচা আৰু ১ টা তেল নিষ্কাষণ তথা সংসাধন প্ৰকল্প স্থাপনৰ প্ৰস্তাৱেৰে ৰাজ্যৰ অৰ্থনীতি উন্নয়ন সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

'উত্তৰ-পূৰ আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে থকা উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত ষ্ট্ৰবেৰী, ড্ৰেগন ফল, ৰাম বুটন, বিদেশী মধুৰীআম, আদা, হালধি, হাইব্ৰীড শাক-পাচলি আৰু ফুলজাতীয় শস্যৰ লেখীয়া উন্নতমানৰ শস্যৰ বাবে 'ব্যাপক এলেকা সম্প্ৰসাৰণ কাৰ্যসূচী' আৰম্ভ কৰা হৈছে। খাদ্য সংসাধন, মাচৰুম উৎপাদন আৰু সঠিক কৃষিকৰ্মৰ লেখীয়া ক্ষেত্ৰসমূহত শিক্ষিত যুৱক-যুৱতীসকলৰ মাজত উদ্যমিতা বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে।

থোৰতে অসমে বিভিন্ন কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি, ৰাজ্যিক পৃষ্ঠপোষকতাৰ আঁচনি আৰু বহিঃসাহায্যপ্ৰাপ্ত আঁচনি ৰূপায়ণৰ জৰিয়তে কৃষকৰ আয় দুগুণ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ হাতত লৈছে।

চৰকাৰে অসমৰ দূৰৱৰ্তী স্থানসমূহৰ সৰ্বাংগীন উন্নয়ন আৰু সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ মনত নিৰাপত্তাৰ ভাব জগাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অসম আৰু নাগালেণ্ড এই দুয়োখন ৰাজ্যই যোৱা ২০২১ চনৰ ৩১ জুলাইত সম্পন্ন কৰা এক চুক্তি অনুসৰি বিবদমান এলেকাৰ পৰা সশস্ত্ৰ আৰক্ষী বাহিনী প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে, যিটোৱে দুয়োখন ৰাজ্যৰ সীমান্ত অঞ্চলত স্বাভাৱিক অৱস্থা ওভোটাই অনাত সহায় কৰিছে। অসম আৰু মেঘালয় এই দুইখন ৰাজ্যৰ প্ৰতিখনৰ পৰা ৩ খনকৈ মুঠ ৬ খন আঞ্চলিক সমিতি গঠন কৰা হৈছে। এই সমিতি কেইখনত সংশ্লিষ্ট ৰাজ্য দুখনৰ মাননীয় মন্ত্ৰীসকলে নেতৃত্ব বহন কৰিছে। এই দুয়োখন সমিতি দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী ১২ টা স্থানত থকা সীমা সমস্যা সমাধান কৰাৰ বাবে গঠন কৰা হৈছে। এই সমিতিসমূহে প্ৰথম পৰ্যায়ত তেওঁলোকৰ নিজ নিজ মুখ্যমন্ত্ৰীৰ ওচৰত বিবদমান এলেকাৰ ৬ টা স্থান সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিছে।

২০২১ চনৰ ২৬ জুলাইত ঘটি যোৱা দুৰ্ভাগ্যজনক ঘটনাৰ পিছত অসম আৰু মিজোৰাম এই দুয়োখন ৰাজ্যই যোৱা ২০২১ চনৰ ৫ আগষ্ট তাৰিখে আইজলত এক যুটীয়া প্ৰস্তাৱত স্বাক্ষৰ কৰে আৰু সেইমৰ্মে দুয়োখন ৰাজ্যৰ মাজত যানবাহনৰ গতিবিধি স্বাভাৱিক কৰাৰ বাবে সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে। এইক্ষেত্ৰত ২০২১ চনৰ ২৫ নৱেম্বৰত নতুন দিল্লীত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত এক বৈঠক অনুষ্ঠিত হৈ যায়।

অসম চুক্তিৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ ৰূপায়ণৰ বাবে বৰ্তমানৰ চৰকাৰখনে কাৰ্যভাৰ গ্ৰহণৰ ঠিক পিছতে এলানি উল্লেখযোগ্য পদক্ষেপ হাতত লৈছিল।

গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক আৰু উদ্যান নিৰ্মাণৰ কাম চলি আছে। ইয়াৰ সন্মুখভাগত কাৰ্যালয় আৰু প্ৰৱেশ ব্লকৰ কাম সম্পূৰ্ণ হৈ উঠিছে। অসম-বাংলাদেশ সীমান্তত ৯৮.৩৫ শতাংশ কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু বাকী থকা ১.৬৫ শতাংশ কাম

এতিয়াও সম্পূৰ্ণ হ'বলৈ বাকী আছে। ২০২১ বৰ্ষৰ ১০ ডিচেম্বৰত 'অসম আন্দোলনৰ তথ্যকোষ' শীৰ্ষক গ্ৰন্থখনৰ দ্বিতীয় আৰু তৃতীয় খণ্ড শ্বহীদ দিৱসৰ দিনা অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উন্মোচন কৰে। এটা পৰিপূৰক খণ্ডৰ লগতে এই গ্ৰন্থখনৰ চতুৰ্থ আৰু পঞ্চম (চূড়ান্ত) খণ্ডৰ সংকলনও সম্পূৰ্ণ হৈছে, যি মুদ্ৰনৰ বাবে প্ৰস্তুত হৈ আছে। অসম আন্দোলনৰ নিৰ্যাতিত ব্যক্তিৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ উপযুক্ত পুনৰ সংস্থাপনৰ বাবে অসম চুক্তি ৰূপায়ণ বিভাগে 'অসম আন্দোলনৰ ক্ষতিগ্ৰস্ত লোকৰ সাহায্য নিধি' (আসাম এজিটেশ্বন ভিক্টিম্‌চ্ ৱেলফেয়াৰ ট্ৰাষ্ট) শীৰ্ষক এক ন্যাস গঠন কৰিছে। ন্যাসটো পঞ্জীকৃত কৰা হৈছে আৰু ২০২১ বৰ্ষৰ ১০ ডিচেম্বৰ (শ্বহীদ দিৱস)ৰ দিনা অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ইয়াক আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

অসম চুক্তিৰ দফা-৬, দফা -৭, দফা - ৯ আৰু দফা- ১০ ৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে সাধাৰণভাৱে চুক্তিখনৰ সকলো দফাৰ ৰূপায়ণৰ বাবে আৰু ইয়াৰ বাবে এক ৰূপৰেখা প্ৰস্তুত কৰাৰ কাৰণে এখন উপ-সমিতি গঠন কৰা হৈছে। তদুপৰি, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণ, বানপানী আৰু গৰাখহনীয়াৰ সমস্যা, অসম আন্দোলনৰ শ্বহীদসকলৰ পৰিয়ালবৰ্গ আৰু ক্ষতিগ্ৰস্তসকলৰ পুনৰ সংস্থাপনৰ লগতে অসমৰ সৰ্বাংগীন আৰ্থিক উন্নয়নৰ সম্ভাৱনীয়তাকে সামৰি ৰাজ্যখনৰ বিভিন্ন সমস্যাৰ বিষয়ে উপ-সমিতিখনে পৰামৰ্শ আগবঢ়াব।

ক'ভিড অতিমাৰীৰ সময়ত অসম চৰকাৰে সমবায়সমূহক ৬ (ছয়) মাহত অতি কমেও এবাৰ বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰাৰ বাধ্যবাধকতাৰ পৰা ৰেহাই দিছে। ১৯৫৯ বৰ্ষত স্থাপিত অসম সমবায় মৰাপাট কল লিমিটেড সমবায় ক্ষেত্ৰত দেশৰ ভিতৰতে একমাত্ৰ মৰাপাট উদ্যোগ। মৰাপাট কলটোৰ আধুনিকীকৰণৰ বাবে চৰকাৰে এই বৰ্ষত ১০ কোটি টকা আবণ্টন দিছে।

২০২১-২২ বৰ্ষত ভূমি সংৰক্ষণ বিভাগে ৰাজ্যৰ নিজা অগ্ৰাধিকাৰ ভিত্তিক পুঁজি (এছ অ' পি ডি)ৰ অধীনত ৪,০২১.২৬ লাখ টকা বিত্তীয় অংশগ্ৰহণেৰে সাপেক্ষে ভূমি - আৰ্দ্ৰতাকৰণ আৰু জল সংৰক্ষণৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি প্ৰায় ২২,৩৪০ হেক্টৰ বৰ্ষাসিক্ত কৃষিভূমি উন্নীত কৰাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সেই অনুসৰি এতিয়ালৈকে এই কাৰ্যসূচিৰ অধীনত বিভাগটোৱে ২০৭.৯৭ লাখ টকাৰ বিত্তীয় সফলতাৰে প্ৰায় ১,১৫৫ হেক্টৰ কৃষিভূমি উন্নীত কৰিছে।

বিভাগটোৱে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা (পি এম কে এছ ৱাই)ৰ অধীনত ৱাটাৰশ্বেড্ ডেভল'পমেণ্ট বিষয়ত ন'দেল বিভাগ হিচাপে কাম কৰি আছে। ২০২১-২২ বৰ্ষত বিভাগে ৫৪ টা ৱাটাৰশ্বেড্ প্ৰকল্প ৰূপায়ণ কৰি আছে।

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ অধীনত দুৰাৰোগ্য ৰোগত ভোগা জটিলভাৱে অসুস্থ ৰোগীসকললৈ ৫০,০০০ টকাকৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। ২০২১-২২ বৰ্ষৰ সময়ছোৱাত আঁচনিখনৰ অধীনত ১০০ গৰাকী অনুসূচিত জনজাতিৰ আৰু ১০০ গৰাকী অন্যান্য পিছপৰা শ্ৰেণীৰ ৰোগীলৈ এই সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হৈছে।

মিচিং স্বায়ত্তশাসিত পৰিষদ, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ, তিৱা স্বায়ত্তশাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, দেউৰী স্বায়ত্তশাসিত পৰিষদ, কোচ-ৰাজবংশী সম্প্ৰদায় (বি টি এ ডি আৰু ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ এলেকাক বাদ দি অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা)ৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ, মৰাণ স্বায়ত্তশাসিত

পৰিষদ আৰু মটক স্বায়ত্তশাসিত পৰিষদ, বি টি এ ডি-ৰ বাহিৰৰ বড়ো কছাৰী কল্যাণ পৰিষদ - এই ১০ টা স্বায়ত্তশাসিত পৰিষদৰ সামগ্ৰিক উন্নয়নৰ কাৰণে ২০২১-২২ বৰ্ষৰ বাবে ২৬,০৬০.৪৩ লাখ টকা আৱণ্টন দিয়া হৈছে।

বিভিন্ন নৃগোষ্ঠীয় সম্প্ৰদায়ৰ উন্নয়নৰ কাৰণে ২০২১-২২ বৰ্ষৰ বাবে ৩৪ টা উন্নয়ন পৰিষদলৈ ১,০২৫.৩৪ লাখ টকা আৱণ্টন দিয়া হৈছে।

আপোনালোকে এয়া জানিব পাৰি সুখী হ'ব যে চৰকাৰে তামুলপুৰ মহকুমাক এতিয়া এখন নতুন জিলালৈ ৰূপান্তৰিত কৰাৰ সিদ্ধান্ত লৈছে। ই ৰাজ্যখনৰ ৩৫ তম তথা বি টি আৰৰ পঞ্চমখন জিলা হ'ব।

চৰকাৰে জনজাতীয় উপ-পৰিকল্পনা (টি এছ পি)ৰ অধীনত জনজাতীয় এলেকা উন্নয়নৰ বাবে বিশেষ মনোযোগ দিছে আৰু অনুসূচিত জাতি উপ-পৰিকল্পনা (এছ চি এছ পি)ৰ জৰিয়তে অনুসূচিত জাতিৰ লোকসকললৈ সা-সুবিধা আগবঢ়াই আছে।

**সন্মানীয় নাগৰিকসকল,**

পৰিবহণ বিভাগে সদায়ে ৰাজ্যৰ কোষাগাৰলৈ প্ৰচুৰ পৰিমাণে ৰাজহৰ বৰঙণি আগবঢ়াই আহিছে। চলিত বিত্তীয় বৰ্ষত, ২০২১ বৰ্ষৰ ৩০ নৱেম্বৰ পৰ্যন্ত ৫২৫.১৯ কোটি টকাৰ যান-বাহনজনিত ৰাজহ সংগ্ৰহ কৰা হৈছে, যি বিগত বিত্তীয় বৰ্ষৰ অনুৰূপ সময়ত সংগৃহীত ৰাজহৰ তুলনাত ৩৮.৩৬ শতাংশ অধিক।

বিভাগে সম্পৰ্কহীন আধাৰভিত্তিক পদ্ধতিৰে জনসাধাৰণৰ ঘৰে ঘৰে সেৱা উপলব্ধ কৰাৰ বাবে পদক্ষেপ লৈছে। এই ক্ষেত্ৰত, ইতিমধ্যে ৩ টা যোগাযোগহীন আধাৰভিত্তিক অনলাইন সেৱা অৰ্থাৎ গাড়ীচালকৰ শিকাৰুৰ অনুজ্ঞাপত্ৰ জাৰি, ডুপ্লিকেট অনুজ্ঞাপত্ৰ জাৰি আৰু অনুজ্ঞাপত্ৰৰ নৱীকৰণ ব্যৱস্থা মুকলি কৰা হৈছে, যাতে জনসাধাৰণে ডি টি অ' কাৰ্যালয়লৈ নোযোৱাকৈয়ে এই সেৱাৰ সুবিধাসমূহ লাভ কৰিব পাৰে। ফিটনেচ প্ৰমাণপত্ৰ জাৰিকৰণৰ বাবে ডি টি অ' কাৰ্যালয়সমূহৰ দ্বাৰা ব্যৱহাৰৰ বাবে এম-বাহন (m-Vahan) নামেৰে এটা এপো মুকলি কৰা হৈছে।

বিভাগে ১৫ খন ট্ৰেফিক ইণ্টাৰচেপ্টৰ বাহন (টি আই ভি) আৰু ১১ টা হ্যাণ্ডহেল্ড স্পিডগান ক্ৰয় কৰিছে আৰু এইবোৰ সমগ্ৰ ৰাজ্যতে যান-বাহনৰ অতিৰিক্ত গতিবেগৰ ঘটনা চিনাক্ত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ উপৰিও, ৯ খন ট্ৰেফিক ইণ্টাৰচেপ্টৰ বাহন ক্ৰয় কৰা হৈছে আৰু সোনকালেই এই বাহনকেইখন মোতায়ন কৰা হ'ব। অভ্যন্তৰীণ জল পৰিবহণ, অসমে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহত বৰ্তমান ১০১ খন অধিসূচিত ফেৰী সেৱা পৰিচালনা কৰে।

২০২১-২২ বৰ্ষত আভ্যন্তৰীণ জল পৰিবহণ, অসমে বিভিন্ন ফেৰী সেৱাত ১০ (দহ) খন বিভিন্ন সামৰ্থ্যৰ যাত্ৰীবাহী ফেৰী আৰম্ভ কৰিছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে অভ্যন্তৰীণ জল পৰিবহণ প্ৰকল্পটো আভ্যন্তৰীণ জল পৰিবহণ, অসমৰ অধীনত বিশ্ব বেংকৰ পুঁজিৰে কৰা অন্যতম প্ৰকল্প।

মাজুলী আৰু গুৱাহাটী ফেৰী সেৱাত এমট্ৰ'নৰ জৰিয়তে ই-টিকট ব্যৱস্থা আৰম্ভ কৰা হৈছে আৰু হাতেৰে লিখা টিকট দিয়াৰ ব্যৱস্থা বন্ধ কৰা হৈছে। নিবনুৱা যুৱক-যুৱতীক অংশগ্ৰহণৰ সুবিধা দিয়াৰ বাবে অভ্যন্তৰীণ জল পৰিবহণ, অসমে ৰাজ্যখনৰ বিভিন্ন স্থানত নৌ প্ৰশিক্ষণ অনুষ্ঠিত কৰিছে। এই ক্ষেত্ৰত Helmsman and Engine Drivers ৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰি ৭১৮ গৰাকী

অংশগ্ৰহণকাৰীক ইতিমধ্যে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে যাতে তেওঁলোকে ব্যক্তিগত ফেৰী পৰিচালনা কৰিব পাৰে।

তদুপৰি, অসম অভ্যন্তৰীণ জল পৰিবহণ প্ৰকল্পৰ অধীনত 'জীৱন ডিঙা' নামেৰে ১০০ % চৰকাৰী ৰাজসাহায্যপ্ৰাপ্ত হিতাধিকাৰী আঁচনিখন অভ্যন্তৰীণ জল পৰিবহণ, অসমে ৰূপায়ণ কৰি আছে। এই আঁচনিখনৰ অধীনত নাও চলাবলৈ আগ্ৰহী ব্যক্তিগত নাৱৰ যোগ্য গৰাকীলৈ জীৱনদায়িনী সা-সজুলিক সামৰি 'ৰিভাৰ্ছেবল গিয়াৰ বক্স' থকা মেৰিন ইঞ্জিন প্ৰদান কৰা হয়।

ৰাজ্যখনত ৰাজহুৱা পৰিবহণ সেৱা আগবঢ়াই অহা অসম ৰাজ্যিক পৰিবহণ নিগম অসমৰ জনসাধাৰণক কাৰ্যকৰী আৰু সুচল সেৱা আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

অ'ইল ইণ্ডিয়া লিমিটেডক প্ৰয়োজনীয় চি এন জি বাছ আগবঢ়াবলৈ চি এন জি ষ্টেচন স্থাপন আদিৰ দৰে প্ৰকল্পটোৰ বিভিন্ন দিশ সম্পৰ্কে অসম ৰাজ্যিক পৰিবহণ বিভাগে কাম কৰি আছে।

এক স্বচ্ছ আৰু সেউজ পৰিবেশ সৃষ্টিৰ বাবে চৰকাৰী প্ৰতিশ্ৰুতি অনুসৰি তেজপুৰৰ অসম ৰাজ্যিক পৰিবহণ নিগমত ই ভি ছাৰ্জিং ষ্টেচন নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। এই পদক্ষেপে শোণিতপুৰ আৰু বিশ্বনাথ চাৰিআলি জিলা দুখনত বৈদ্যুতিকভাৱে চালিত পৰিবহণ ব্যৱস্থাক উদ্‌গনি যোগাব।

ইয়াৰ উপৰিও, বৰ্তমান বৃহত্তৰ গুৱাহাটী অঞ্চলত চলাচল কৰি থকা ডিজেল বাছ সমূহ আঁতৰাবলৈ অসম ৰাজ্যিক পৰিবহণ নিগমে গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ পৰা ৰাজহ ভগাই লোৱাৰ ভিত্তিত ২০০ খন ইলেকট্ৰিক বাছ আৰু ১০০ খন চি এন জি বাছ লাভ কৰাৰ পথত।

অসম ৰাজ্যিক পৰিবহণ নিগমে গুৱাহাটীৰ খানাপাৰাত আই এছ বি টি নিৰ্মাণ, তেজপুৰত আই এছ বি টি নিৰ্মাণ আৰু মাজুলিত আস্থান ভৱন উন্নয়নৰ দৰে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প সমূহো হাতত লৈছে।

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে ৰাজ্যত ইথান'ল উদ্যোগৰ প্ৰসাৰৰ বাবে 'অসম ইথান'ল উৎপাদন প্ৰসাৰ নীতি-২০২১'ৰ জাননী জাৰি কৰিছে।

বিভাগে ৰাজ্যখনত বৈদ্যুতিকভাৱে চালিত পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰৰ বাবে 'অসমৰ বৈদ্যুতিক যান-বাহন নীতি, ২০২১' জাৰি কৰিছে। এই নীতি স্বচ্ছ পৰিবেশৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বিভাগে সমগ্ৰ ৰাজ্যতে ঔদ্যোগিক ইষ্টেট আৰু পাৰ্ক নিৰ্মাণৰ কাম হাতত লৈছে। এই ক্ষেত্ৰত, বিভাগটোক ৮৭৭ বিঘা ভূমি ইতিমধ্যে আবণ্টন দিয়া হৈছে আৰু ৪,৮৮১ বিঘা ভূমি চিনাক্ত কৰা হৈছে।

ৰাজ্যখনৰ বন, বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে বন বিভাগে অবিৰতভাৱে কাম কৰি আহিছে।

বন আৰু বন্যপ্ৰাণীৰ সুৰক্ষা বৃদ্ধি কৰাৰ বাবে মোৰ চৰকাৰখনে অলপ দিনৰ পূৰ্বে ২ (দুই) খন নতুন ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰিছে। এই দুখন ৰাষ্ট্ৰীয় উদ্যান হ'ল কোকৰাঝাৰ জিলাত ৪২২ বৰ্গ কি.মি. এলেকাত বিস্তৃত ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান আৰু তিনিচুকীয়া জিলাত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান যাক ১১১.১৯ বৰ্গ কি.মি.ৰ পৰা ২৩৪.২৬ বৰ্গ কি.মি.লৈ পৰিসীমা বৃদ্ধিৰে পূৰ্বৰ দিহিং পাটকাই অভয়াৰণ্যৰ পৰা ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰা হৈছে।

বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত মানস ৰাষ্ট্ৰীয় উদ্যানে সফলতা লাভ কৰিছে। ২০১০ বৰ্ষৰ তুলনাত বাঘৰ সংখ্যা তিনিগুণতকৈও অধিক হোৱাত এই ৰাষ্ট্ৰীয় উদ্যানে গ্লোবেল টাইগাৰ ফ'ৰামৰ

পৰা ভূটানৰ ৰয়েল মানস নেচনেল পাৰ্কৰ লগত একেলগে আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। ইণ্ডিয়ান ৰাইন' ভিচন-২০২০ ৰ অধীনত ভাৰতীয় এশিঙীয়া গঁড়ৰ স্থানান্তৰণ কাৰ্য সফলতাৰে সম্পন্ন হৈছে। প্ৰাপ্ত তথ্য মতে চলিত বৰ্ষত স্থানান্তৰিত গঁড়কেইটাই চাৰিটা পোৱালি জন্ম দিছে।

বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত আত্মোৎসৰ্গা কৰা ক্ষেত্ৰকৰ্মীসকলক উৎসাহিত কৰিবলৈ মোৰ চৰকাৰখনে প্ৰতিমাহে ২০০০ টকাকৈ ৰেচন ভাত্তা আগবঢ়াইছে আৰু এমাহৰ বছৰেকীয়া বিশেষ ছুটীত অনুমোদন জনাইছে। চোৰাং চিকাৰীবোৰলৈ কঠোৰ বাৰ্তা প্ৰেৰণ কৰি যোৱা ২০২১ বৰ্ষৰ ২২ ছেপ্টেম্বৰৰ বিশ্ব গঁড় দিৱসৰ দিনা ইতিপূৰ্বে ৰাজ্যখনৰ কোষাগাৰসমূহত মজুত কৰি ৰখা ২৪৭৯ টা গঁড়ৰ খড়্গ জ্বলাই দিয়া হয়।

অসমৰ বন বিভাগে যোৱা এটা বছৰত CAMPA আঁচনিৰ অধীনত উন্নীত কৰা বনভূমিৰ ১৯৪৫ হেক্টৰ ভূমিত গছপুলি ৰোপণ কৰিছে। তদুপৰি, বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্পৰ অধীনত ১২,৫১০ হেক্টৰতকৈ অধিক বনভূমিত গছপুলি ৰোপণৰ কাম চলি আছে। বনাঞ্চলৰ বাহিৰত গছপুলি ৰোপণৰ প্ৰচাৰৰ বাবে দেশখনত এনেধৰণৰ এক কাৰ্য হিচাপে অসম কৃষি বনানীকৰণ উন্নয়ন পৰিষদক 'ধাৰা-৮ কোম্পানী' হিচাপে স্থাপন কৰাত অনুমোদন জনোৱা হৈছে।

বিভাগটোৱে কেন্দ্ৰীয় খণ্ডৰ আঁচনি 'প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা'ৰ পৰা মাছৰ খাদ্য কল স্থাপন কৰি ৰাজ্যখনত স্থানীয় মাছৰ খাদ্য পৰ্যাপ্ততাৰ ব্যৱধান ন্যূনতম কৰিবলৈ ইতিমধ্যে প্ৰচেষ্টা হাতত লৈছে।

বিশ্ব মীন দিৱস ২০২১ ত ভাৰত চৰকাৰে প্ৰদান কৰা 'পাহাৰীয়া আৰু উত্তৰ পূৰ্বাঞ্চল' বৰ্গৰ শ্ৰেষ্ঠ জিলা (বঙাইগাঁও), শ্ৰেষ্ঠ মীন সমবায় সমিতি (কলং-কপিলী সমবায় সমিতি লিমিটেড-কামৰূপ মহানগৰ) আৰু শ্ৰেষ্ঠ মীন পালক (শ্ৰী অনুপ শৰ্মা-বিশ্বনাথ)ৰ তিনিটাকৈ বিশেষ পুৰস্কাৰ লাভ কৰি ৰাজ্যখনৰ মীন খণ্ডই ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসিত হোৱাৰ স্বীকৃতি লাভ কৰিছে।

বিশ্ববেংকৰ পুঁজি প্ৰাপ্ত অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য পৰিৱৰ্তন প্ৰকল্প (এপিএআৰটি)ৰ অধীনত নগাঁও জিলাৰ জে বি গড় মীন পামত এটা মাল্টিপ্লিকেচন চেণ্টাৰ স্থাপন কৰা হৈছে আৰু উচ্চ উৎপাদনক্ষম প্ৰজাতিৰ মান সম্পন্ন মাছৰ পোনা উৎপাদন চলি থকা এই কেন্দ্ৰটো যোৱা ২০২১ বৰ্ষৰ ১০ জুলাইত উদ্বোধন কৰা হয়। ২০২১ বৰ্ষৰ মে' আৰু জুনৰ সময়ছোৱাত কাম-কাজ আৰম্ভ হোৱা চাৰিটা মাছৰ পোনা মাল্টিপ্লিকেচন চেণ্টাৰ তথা পাঁচটা উন্নীত মাছৰ পোনা উৎপাদন কেন্দ্ৰ থকা বিভাগীয় পামত প্ৰায় ২০ মিলিয়ন মান সম্পন্ন মাছৰ পোনা উৎপাদন কৰা হৈছে। গহপুৰত এটা বংশানুক্ৰমিকভাৱে উন্নীত কৰা মাছৰ পোনাৰ বেংকো স্থাপন কৰা হৈছে। পি এম এম এছ ৱাইৰ অধীনত মীন বিভাগৰ সহযোগিতাৰে বঙাইগাঁও জিলা প্ৰশাসনে পৰিপুষ্টিহীনতাত ভোগা শিশুহঁতক সহায় কৰিবলৈ 'প্ৰজেক্ট সম্পূৰ্ণা' নামৰ এটা মীন পাম ভিত্তিক উদ্ভাৱনামূলক প্ৰকল্প আৰম্ভ কৰিছে। জিলা প্ৰশাসনে বঙাইগাঁও চহৰৰ ইক' পাৰ্কত গুৱাহাটী বিশ্ববিদ্যালয় আৰু মীন বিভাগৰ সহযোগিতাৰে SCSP ৰ অধীনত ৰাজ্যখনৰ ভিতৰতে প্ৰথম এটা ৰাজহুৱা একুৱাৰিয়াম স্থাপন কৰিছে।

অসম চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্য-৩ ত উপনীত হোৱাৰ উদ্দেশ্যৰে এলানি কাৰ্যসূচী হাতত লৈছে যাতে "সকলোৰে বাবে সকলো বয়সত স্বাস্থ্যকৰ জীৱন" সুনিশ্চিত কৰিব পৰা যায়। বৰ্তমান

লখিমপুৰত নতুনকৈ আৰম্ভ কৰা লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালকে ধৰি ৰাজ্যখনত ৮ (আঠ) খন পূৰ্ণ পৰ্যায়ৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়, তিনিখন দন্ত চিকিৎসা মহাবিদ্যালয়, তিনিখন বি এছ চি নাৰ্ছিং কলেজ, তিনিখন ফাৰ্মাচী প্ৰতিষ্ঠান আৰু ছখন পেৰামেডিকেল প্ৰতিষ্ঠান আছে। ধুবুৰী, নগাঁও, কোকৰাঝাৰ, নলবাৰী আৰু তিনিচুকীয়াত আন ৫ (পাঁচ) খন নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ কাম চলি আছে। পাঁচোখন নতুন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰতাৰে চলি আছে। তদুপৰি বিশ্বনাথ আৰু চৰাইদেউ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম-কাজো অব্যাহত আছে। মৰিগাঁও, ধেমাজি, গোলাঘাট, বঙাইগাঁও, গুৱাহাটীত (দ্বিতীয়খন) চিকিৎসা মহাবিদ্যালয় আৰু তামুলপুৰত মুঠ আন ৬ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথা বাজেট ভাষণত ঘোষণা কৰা হৈছিল আৰু মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ইতিমধ্যে তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপনো কৰিছে।

স্বাস্থ্যসেৱা প্ৰতিষ্ঠানসমূহত স্বাস্থ্য পৰীক্ষাৰ ন্যূনতম সুবিধাসমূহ উপলব্ধ হোৱাটো নিশ্চিত কৰিবলৈ **মুখ্যমন্ত্ৰীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষণ কাৰ্যসূচীৰ** সূচনা কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা সেৱাৰ অধীনত আৰম্ভণিৰ পৰা ২০২১ বৰ্ষৰ ৩০ নৱেম্বৰ পৰ্যন্ত এইসমূহ সুবিধা উপলব্ধ কৰোৱা হৈছে ঃ

৭,২১,৪৫৭ গৰাকী ৰোগীয়ে বিনামূলীয়া চি টি স্কেন সেৱা লাভ কৰিছে।

১৮,৫০,০২২ গৰাকী ৰোগীয়ে বিনামূলীয়া এক্স-ৰে সেৱা লাভ কৰিছে আৰু

৪৩,৩০,২০৮ গৰাকী ৰোগীয়ে বিনামূলীয়া লেবৰেটৰী সেৱা লাভ কৰিছে।

অসম চৰকাৰে বিনামূলীয়া ঔষধ সেৱাৰ অধীনত চৰকাৰী হাস্পতাললৈ অহা ৰোগীসকলক বিনামূলীয়াকৈ লাগতিয়াল ঔষধ প্ৰদান কৰি আহিছে। ৰাজ্যখনে সংক্ৰামক তথা অসংক্ৰামক ৰোগৰ ক্ষেত্ৰত আৰু কৰ্কট ৰোগ, যকৃতৰ ৰোগ, হিম'ফিলিয়া, থেলাছেমিয়া আদিৰ দৰে বিশেষ চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগসমূহৰ ক্ষেত্ৰত প্ৰয়োজনীয় ঔষধৰ তালিকাখনৰ সালসলনিৰ বিষয়ে ৰাজহুৱা কৰিছে। হিম'-ডায়েলাইছিছ সেৱাৰ বাবে ২০৯ হিম'-ডায়েলাইছিছ মেচিন যোগান ধৰা হৈছে। ২০২১ বৰ্ষৰ ২৯ ডিচেম্বৰ পৰ্যন্ত মুঠ ১,৮৩,০৬১ টা বিনামূলীয়া ডায়েলাইছিছ সত্ৰ সম্পন্ন কৰা হৈছে।

ৰাষ্ট্ৰীয় আয়ুষ মিশ্যন, অসমৰ অধীনত দুধনৈ (গোৱালপাৰা)ত সংহত আয়ুষ হাস্পতাল সম্পূৰ্ণ হোৱাৰ লগতে মাজুলীতো শীঘ্ৰেই সম্পূৰ্ণ কৰি মুকলি কৰা হ'ব। ভাৰত চৰকাৰৰ আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত ৪৯ টা আয়ুষ হেল্‌থ এণ্ড ৱেলনেছ চেণ্টাৰ আৰম্ভ কৰা হৈছে। আন ৪০ টা আয়ুষ হেল্‌থ এণ্ড ৱেলনেছ চেণ্টাৰৰ বাবে অনুমোদন লাভ কৰা হৈছে।

২১ ডিচেম্বৰ ২০২১ ৰ দিনৰ বাৰ বজালৈ প্ৰায় ২.৩১ কোটি মানুহৰ টিকাকৰণ সম্পূৰ্ণ কৰা হৈছে। ইয়াৰে ২.১৬ কোটি লোকক প্ৰথম পালি আৰু ১.৪৬ কোটি লোকক দ্বিতীয় পালি টিকা প্ৰদান কৰা হৈছে। ৰাজ্যখনত মুঠ ৩.৬২ কোটি টিকাৰ ড'জ প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰখনে বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অধীনত এটা স্বতন্ত্ৰ স্বায়ত্তশাসিত নিকায় হিচাপে ২০২১ বৰ্ষৰ নৱেম্বৰত অসম ৰাজ্যিক স্পেচ এপ্লিকেশন চেণ্টাৰ (ASSAC) স্থাপন কৰে। নলবাৰী আৰু উত্তৰ লখিমপুৰ উভয়তে বিজ্ঞান কেন্দ্ৰ তথা তাৰকা গৃহৰ

ব্যৱহাৰিক নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে। দুয়োটা কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় ডিজিটেল সা-সৰঞ্জামসমূহ আহৰণ কৰা হৈছে। নলবাৰী বিজ্ঞান কেন্দ্ৰ তথা তাৰকা গৃহটো শীঘ্ৰে উদ্বোধন কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। সংশ্লিষ্ট জিলা কৰ্তৃপক্ষৰ দ্বাৰা ১২ খন জিলাত একোটাকৈ জিলা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ অনুমতি প্ৰদান কৰিছে।

মোৰ চৰকাৰে প্ৰাথমিক শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। গুণগত প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ আৰু ইয়াক সহজলভ্য কৰি তোলাৰ বাবে আমাৰ চৰকাৰখনে বিভিন্ন পদক্ষেপ লৈছে। ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনখন ফলপ্ৰসূভাৱে ৰূপায়ণ কৰি বিনামূলীয়া আৰু বাধ্যতামূলক গুণগত প্ৰাথমিক শিক্ষা সকলোৰে বাবে সহজলভ্য কৰি তোলাৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২১ চনৰ ২০ আগষ্টত বিভিন্ন বৰ্গৰ মুঠ ৬১০ টা পদত ইতিমধ্যে অনুকম্পমূলক নিযুক্তি প্ৰদান কৰা হৈছে। ইয়াৰে ৩১৩ টা পদ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ , ১২৭ টা পদ উচ্চ প্ৰাথমিক বিদ্যালয় শিক্ষকৰ, ১০ টা পদ দ্বিতীয় বৰ্গৰ (অনা শিক্ষক) তথা ১৬০ টা পদ চতুৰ্থ বৰ্গৰ।

অসম নগৰ আৰু গাঁও পৰিকল্পনা আইন, ১৯৫৯ (সংশোধনী অনুসৰি) অধীনত নগৰ এলেকাৰ মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ অংশ হিচাপে এতিয়ালৈকে ৪০খন মাষ্টাৰ প্লেন চূড়ান্ত আৰু খচৰা পৰ্যায়ত আছে আৰু ৪৫খন মাষ্টাৰ প্লেন প্ৰস্তুতিৰ কাম চলি আছে। ইয়াৰ ভিতৰত ২৩খন মাষ্টাৰ প্লেন GIS ভিত্তিক প্ৰযুক্তি প্ৰয়োগেৰে সম্পূৰ্ণ কৰা হৈছে।

সু-প্ৰশাসনৰ অংশ হিচাপে গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দ্বাৰা নগৰ অঞ্চলৰ বাসিন্দা সকলৰ বাবে গৃহ নিৰ্মাণৰ অনুমতি, ব্যৱসায়িক অনুজ্ঞাপত্ৰ আৰু সম্পত্তিৰ মূল্যায়ন তথা কৰ প্ৰদানৰ লেখীয়া পৌৰ সেৱা সমূহৰ অনলাইন ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। নগৰীয়া স্থানীয় নিকায়ৰ বুনিয়াদী সেৱাসমূহৰ উন্নীতকৰণৰ বাবে অসমৰ সাধাৰণ এলেকাৰ নগৰীয়া স্থানীয় নিকায়সমূহলৈ পঞ্চদশ বিত্ত আয়োগৰ অধীনত ৪৫৯৮৯.২৩ লাখ টকা মোকলাই দিয়া হৈছে। আনহাতে ২০২১-২২ বৰ্ষৰ সময়ছোৱাত ষষ্ঠ ASFC ৰ অধীনত দৰমহা আৰু উন্নয়নমূলক কাম-কাজৰ ৰাজহ ব্যৱধান পূৰণৰ বাবে অসমৰ সাধাৰণ এলেকাৰ নগৰীয় স্থানীয় নিকায়সমূহলৈ হস্তান্তৰকৰণৰ অংশ হিচাপে ৩৯৪৯.৩৮ লাখ টকা মোকলাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী আৱাস যোজনা 'সকলোৰে বাবে গৃহ' - নগৰাঞ্চলৰ অধীনত ভাৰত চৰকাৰৰ পৰা আজিৰ দিনাংকলৈ ৯৮,৮৩৩ সংখ্যক গৃহৰ পুঁজি লাভ কৰা হৈছে। ৯৮,৮৩৩ টা অনুমোদন প্ৰাপ্ত গৃহৰ ভিতৰত ৮৩,০০৩ টা গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ পুঁজি লাভ কৰা হৈছে। ৪৯,৯৯০ টা গৃহৰ নিৰ্মাণ বিভিন্ন পৰ্যায়ত আছে। ৩৩,০১৩ টা গৃহ বৰ্তমানলৈ সম্পূৰ্ণ কৰা হৈছে।

ভাৰতৰ নগৰাঞ্চলক আৱৰ্জনা মুক্ত কৰাৰ লক্ষ্যৰে স্বচ্ছ ভাৰত মিছন-২.০ ৰূপায়ণ কৰা হ'ব। তদুপৰি স্বাস্থ্যসন্মত, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু অনাময় ব্যৱস্থাৰ ওপৰত ভাৰত চৰকাৰৰ দ্বাৰা চলোৱা বাৰ্ষিক জৰীপ স্বচ্ছ সৰ্বেক্ষণ-২০২১ জৰীপত ৯ টা বিভিন্ন বঁটাৰ শিতানত অসমৰ তেজপুৰ, গোলাঘাট, বঙাইগাঁও, যোৰহাট, তিনিচুকীয়া, হাইলাকান্দি, কোকৰাঝাৰ, হাফলং আৰু লক্ষীপুৰ (কাছাৰ) ৰ লেখীয়া

৯ খন নগৰীয় স্থানীয় নিকায়ে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

২০২১ বৰ্ষৰ মাৰ্চলৈকে বৃহৎ / মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ বিভিন্ন আঁচনিৰ জৰিয়তে জলসিঞ্চন বিভাগে ১০.৪১ লাখ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা গঢ়ি তুলিছে। ইয়াৰ উপৰি ৪৫০৬.৮৮ কোটি টকাৰ প্ৰাক্-কলিত ব্যয়েৰে ৭৬,৯২৬ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা গঢ়ি তোলাৰ লক্ষ্যৰে ৬ টা নতুন বৃহৎ / মজলীয়া জলসিঞ্চন প্ৰকল্প হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে। বিভাগটোৰ পুনৰ গঠনৰ বাবে বৃহৎ কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰতিটো বিধানসভা সমষ্টিতে উপ-সংমণ্ডল কাৰ্যালয় আৰু ২/৩ টা বিধানসভা সমষ্টি সামৰি এটা মাণ্ডলিক কাৰ্যালয় স্থাপনৰ পদক্ষেপ লোৱা হৈছে।

গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি মোৰ চৰকাৰে ২০২১ বৰ্ষৰ ২ অক্টোবৰত মিছন বসুন্ধৰা আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে নাগৰিকসকললৈ এক সহজসাধ্য অনলাইন মঞ্চ প্ৰদানেৰে ভূমি নথিৰ অদ্যবধিকৰণৰ বিলম্বতা হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে।

এই অভিযানৰ তিনিটা মুখ্য অংশ হ'ল - ভূমি নথিৰ অভিযান আকাৰে শুদ্ধতা প্ৰদান, ৬৭২ খন এতিয়ালৈকে জৰীপ নোহোৱা গাঁৱৰ জৰীপ, উন্নত পদ্ধতি প্ৰয়োগেৰে ২৭খন জিলাৰ ১৮৭৮৯ খন জৰীপকৃত গাঁৱৰ পুনৰ জৰীপ কৰা।

৩৮০খন জৰীপ নোহোৱা গাঁৱৰ ক্ষেত্ৰ জৰীপৰ কাম সম্পন্ন কৰা হৈছে আৰু ২০২১ বৰ্ষৰ ২১ ডিচেম্বৰলৈকে ১৫০ পলিগণ জৰীপ প্ৰস্তুত কৰা হৈছে। ২০২২ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত জৰীপ নোহোৱা গাঁওসমূহৰ পলিগণ জৰীপ কাৰ্য সম্পন্ন কৰা হ'ব। এই পদক্ষেপে ভূমি নীতি, ২০১৯ ৰ ভিত্তিত এই গাঁওসমূহত বসবাস কৰা থলুৱা ভূমিহীন লোকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ পথ প্ৰশস্ত কৰিব।

আমাৰ চৰকাৰে ২০২১ বৰ্ষৰ ২১ নৱেম্বৰত ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰত শুভাৰম্ভ কৰা উন্নত পদ্ধতিৰ দ্বাৰা ডিব্ৰুগড়, তিনিচুকীয়া আৰু কামৰূপ জিলাৰ ৭৭২ খন গাঁও লুপ্ত / ক্ষতিগ্ৰস্ত মানচিত্ৰৰ পুনৰ প্ৰস্তুতৰ কাম অগ্ৰাধিকাৰ ভিত্তিত আৰম্ভ কৰিছে। গাঁওসমূহৰ ড্ৰোণ জৰীপ আৰু ইয়াৰ পিছৰ প্ৰক্ৰিয়াকৰণ চলি আছে। ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত ২৭ খন জিলাৰ ১৮৭৮৯খন জৰীপকৃত গাঁওৰ পুনৰ জৰীপ কাৰ্য সম্পন্ন হ'ব।

চাৰ্ভে অফ ইণ্ডিয়াই অসমৰ জৰীপ নোহোৱা গাঁওসহ ১৯৮১৯ খন গাঁও সামৰি ৩৪ টা Continuous Operating Reference Station নিৰ্বাচন কৰিছে। কামৰূপ মহানগৰ আৰু দৰং জিলাক অগ্ৰাধিকাৰ ভিত্তিত নিৰ্বাচন কৰা হৈছে। সোণাপুৰ ৰাজহ চক্ৰ, কামৰূপ মহানগৰৰ ৩৫০০ হিতাধিকাৰীক সামৰি ৩০ খন গাঁওৰ ৮.৩১ বৰ্গ কিলোমিটাৰ ড্ৰোণ জৰীপ সম্পন্ন।

২০২১-২২ বৰ্ষৰ বাবে অগ্ৰাধিকাৰ উন্নয়নৰ বাবে ৰাজ্যিক পুঁজিৰ অধীনত বিত্ত (বাজেট) বিভাগে অসমৰ পাৰ্বত্য এলেকাৰ বাবে ৫৭,২৭৪.৩২ লাখ টকা পুঁজিৰ আবণ্টন কৰিছে। এই পুঁজিৰ ৰাজ্যৰ নিজস্ব অগ্ৰাধিকাৰ উন্নয়ন আৰু কেন্দ্ৰীয় অংশৰ পুঁজি সন্নিবিষ্ট হৈ আছে। এই পুঁজিৰ ভিতৰত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদলৈ ৩৯,৫১৫.০৪ লাখ টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদলৈ ১৭,৭৫৯.২৮ লাখ টকা আবণ্টন কৰা হৈছে।

ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা কেন্দ্ৰ উদ্বোধন কৰা হৈছে। বাগৰি প্ৰৱেশ পথৰ টুৰিষ্ট ল'জৰ উন্নয়ন কৰা হৈছে। অসম পাৰ্বত্য ক্ষুদ্ৰ ঔদ্যোগিক উন্নয়ন নিগমৰ অধীনত মাঞ্জা ঔদ্যোগিক চৌহদত গ্ৰাম্য শ্বপিং ম'ল আৰু ডেইথৰ, মাঞ্জা আৰু হাফলংত তিনিটা ওৱাটাৰ বটলিং উদ্যোগৰ কাম সম্পন্ন কৰা হৈছে।

**শ্ৰদ্ধাৰ নাগৰিকবৃন্দ,**

বৰ্তমানৰ ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ আৰ্থ-সামাজিক, কায়িক আৰু বৌদ্ধিক উন্নয়নৰ বাবে ব্যাপক জনকল্যাণকামী আঁচনি ৰূপায়ণৰ পদক্ষেপ লৈছে।

চাহ জনগোষ্ঠীৰ শৈক্ষিক দৃশ্যপট উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ত অধ্যয়নৰত চাহ গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকললৈ জলপানি প্ৰদান কৰি আছে। ২০২১-২২ বিত্তীয় বৰ্ষত বিভিন্ন জলপানি আঁচনিৰ বাবে মুঠ ৩৪, ৩৪৬ খন আবেদন লাভ কৰা হৈছে। সেইবোৰ হ'ল- প্ৰাক্/প্ৰৱেশিকোত্তৰ জলপানি, Simon Sing Horo বিশেষ প্ৰৱেশিকোত্তৰ জলপানি, উচ্চ শিক্ষাৰ বাবে বিত্তীয় সাহায্য আৰু এ এন এম / জি এন এম তথা কাৰিকৰী পাঠ্যক্ৰমৰ প্ৰাৰ্থীসকললৈ বিত্তীয় সাহায্য। এই জলপানি ন্যূনতম ৩ হাজাৰৰ পৰা পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰ কৰি সৰ্বোচ্চ ৩৫,০০০ টকা । ২০২০-২১ বৰ্ষৰ প্ৰাপ্ত হোৱা ২৮০০০ আবেদনৰ পৰা প্ৰায় এই সংখ্যা বৃদ্ধি হৈছে।

বৰ্তমানৰ চৰকাৰে বিভিন্ন হিতাধিকাৰী সম্বন্ধীয় আঁচনিৰ বাবে পৰম্পৰাগত অফলাইন আবেদনৰ পৰিবৰ্তে অনলাইন আবেদনৰ পদ্ধতি অৱলম্বন কৰিছে।

চাহ জনগোষ্ঠীৰ সংস্কৃতিৰ সংৰক্ষণ উন্নয়ন আৰু প্ৰসাৰৰ বাবে প্ৰতিখনত ১৫ লাখ টকা ব্যয়েৰে অতি কমেও ৭৫ খন ৰংগমঞ্চ অথবা সাংস্কৃতিক পেভেলিয়ন নিৰ্মাণৰ কাম বৰ্তমানৰ চৰকাৰে হাতত লৈছে। চাহ জনগোষ্ঠীৰ মাজত ক্ৰীড়াৰ পৰিসৰ বৃদ্ধিৰ বাবে বৰ্তমানৰ চৰকাৰে শোণিতপুৰ জিলাৰ ৰাঙাপাৰা, তিনিচুকীয়া জিলাৰ ছোটা টিংৰাইত ফুটবল একাডেমী নিৰ্মাণৰ কাম হাতত লোৱাৰ উপৰি চৰাইদেউ জিলাৰ সোণাৰিত আৰ্চাৰী একাডেমী নিৰ্মাণৰ কাম হাতত লৈছে।

সমাজৰ মহিলা, শিশু, দিব্যাংগ, জ্যেষ্ঠ নাগৰিক আৰু দুৰ্বলজনৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগ প্ৰতিশ্ৰুতিবদ্ধ।

বৰ্তমানে পৰিপূৰক পৰিপুষ্টি কাৰ্যসূচী তথা অন্যান্য সেৱাৰ বাবে ৰাজ্যখনত ২৩০ টা সংহত শিশু উন্নয়ন সেৱাৰ প্ৰকল্প ৩২,১৩,০১৮ সংখ্যক শিশু আৰু ৫,৯৩,৭৫৮ সংখ্যক গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃক ৬১,৭১৫ টা অংগনৱাড়ী কেন্দ্ৰৰ অধীনত পঞ্জীয়ন কৰা হৈছে। বৰ্তমানলৈ বিভাগৰ দ্বাৰা ৪১,৭৬৩ টা অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণ কৰা হৈছে। বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ বাবে ২৫ লাখ টকা ব্যয়ৰ এক পদক্ষেপ হাতত লৈছে।

সমাজ কল্যাণ বিভাগে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, বেটী বচাও-বেটী পঢ়াও, ওৱান ষ্টপ চেণ্টাৰ, মহিলা হেল্প লাইন, গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা, বৃত্তিগত প্ৰশিক্ষণ তথা পুনৰ সংস্থাপন কেন্দ্ৰ, কৰ্মৰত মহিলাৰ হোষ্টেল, উজ্জ্বলা, Swadhar Greh, মহিলাৰ বাবে ৰাজ্যিক আয়োগ, মহিলাৰ বাবে সমল কেন্দ্ৰ ইত্যাদিৰ লেখীয়া মহিলা সবলীকৰণৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে।

জলসম্পদ বিভাগে বানপানী আৰু খহনীয়া ব্যৱস্থাপনাৰ লগতে আন্তঃগাঁথনি উন্নয়ন আঁচনিসমূহ হাতত লৈছে। ইয়াৰ ভিতৰত এছ অ' পি ডি - জি ৰ অধীনত ৪৪২.৩০ কোটি টকাৰ ১৮৬ খন আঁচনি, নাবাৰ্ডৰ অধীনত ৪৮৬.০২ কোটি টকাৰ ১৯৪ খন আঁচনি, ছিগনেচাৰ প্ৰকল্পৰ অধীনত ৪০ কোটি টকাৰ ৪ খন আঁচনি, ড'নাৰ মন্ত্ৰালয়ৰ অৰ্থসাহায্যপ্ৰাপ্তৰ অধীনত ৪৮.৭৫ কোটি টকাৰ ২ খন আঁচনি, বৰাক উপত্যকাৰ বাবে মুখ্যমন্ত্ৰীৰ পেকেজৰ অধীনত ৩৬.৪৯ কোটি টকাৰ ১৫ খন আঁচনি আছে।

তথ্য আৰু জনসংযোগ বিভাগে সাংবাদিক আৰু সাধাৰণ ৰাইজৰ কল্যাণৰ বাবে ৰাজ্যখনত বহুতো কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আছে। বিভাগটোৱে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ জৰিয়তে অসমৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ চিকিৎসাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰাৰ বাবে "সাংবাদিকৰ চিকিৎসা কল্যাণ আঁচনি" নামৰ এখন কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিখনৰ অধীনত সাংবাদিকসকলৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্য সকলোকো সামৰি লোৱা হৈছে। ২০২১-২২ বৰ্ষত নৱেম্বৰ, ২০২১ লৈ ৩২ গৰাকী সাংবাদিকক ১০.৯১ লাখ টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।

অসমৰ ২০ বছৰতকৈ অধিক কাল সাংবাদিকতাৰ সেৱা আগবঢ়োৱা সাংবাদিকসকললৈ অৱসৰকালীন লাভালাভ প্ৰদান কৰাৰ অৰ্থে সাংবাদিকৰ বাবে পেঞ্চন আঁচনিখন ঘোষণা কৰা হৈছে। সাংবাদিকৰ বাবে থকা অসম পেঞ্চন আঁচনিৰ অধীনত ২০২০-২১ বৰ্ষত ২০ গৰাকী সাংবাদিকলৈ পেঞ্চন প্ৰদান কৰা হৈছিল।

প্ৰতিবছৰে গণৰাজ্য দিৱসৰ দিনা এগৰাকী বিশিষ্ট সাংবাদিকলৈ গণৰাজ্য দিৱস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। ২০২১ বৰ্ষলৈ সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে ৫ গৰাকী বিশিষ্ট সাংবাদিকলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই গণৰাজ্য দিৱস সাংবাদিকতা বঁটাত এক লাখ টকা, প্ৰশস্তি পত্ৰ, স্মাৰক চিহ্ন আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। এই বছৰো এই বঁটা আগবঢ়োৱা হ'ব।

২০২০-২১ বৰ্ষৰ পৰা সাংবাদিকলৈ এককালীন অনুদান আঁচনিখন ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত সাংবাদিকতাৰ ক্ষেত্ৰখনত অভূতপূৰ্ব সফলতা লাভ কৰা সাংবাদিকসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব। এই আঁচনিৰ অধীনত প্ৰতিবছৰে ২০ গৰাকী সাংবাদিকলৈ ৫০,০০০ টকাকৈ আগবঢ়োৱা হ'ব। বিগত বিত্তীয় বৰ্ষত ১৮ গৰাকী সাংবাদিকে ৫০,০০০ টকাকৈ এককালীন অনুদান লাভ কৰিছে। চলিত বিত্তীয় বৰ্ষৰ বাবেও সাংবাদিকৰ বাছনি প্ৰক্ৰিয়া চলি আছে।

**সন্মানীয় নাগৰিকসকল,**

ক্ৰীড়া আৰু খেলক এগৰাকী ব্যক্তিৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে সঠিক উপায় হিচাপে সকলোৱে স্বীকৃতি দিয়ে। বিভাগটোৱে ৰাষ্ট্ৰীয় ক্ৰীড়া, কমনৱেলথ গেমছ, এছিয়ান গেমছ আৰু অলিম্পিক গেমছৰ প্ৰতিজন পদক বিজয়ীক চলিত বিত্তীয় বৰ্ষৰ পৰা প্ৰতিমাহে ১০,০০০ টকাৰ ক্ৰীড়া পেঞ্চন প্ৰদান কৰিব। এই আঁচনিৰ অধীনত পদক বিজয়ীসকলক নিম্নলিখিত ধৰণে বঁটা প্ৰদান কৰা

হৈছেঃ

- সেৰাত নথকা পদক বিজয়ীসকলক প্ৰতিমাহে ১০,০০০ টকাৰ নিয়মীয়া ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হৈছে।
- সেৰাত থকা পদক বিজয়ীসকলক ৫০,০০০ টকাৰ এককালীন বিত্তীয় অনুদান প্ৰদান কৰা হৈছে।

অসম চৰকাৰে **খেলৰত্ন লাভলীনা বৰগোঁহাইক** কম সময়ৰ ভিতৰতে অসম আৰক্ষীৰ উপ আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিছে। বক্সাৰ যমুনা বড়ো আৰু আৰ্চাৰ সঞ্জয় বড়োক অসম চৰকাৰৰ আবকাৰী বিভাগৰ অধীনত আবকাৰী পৰিদৰ্শক হিচাপে নিযুক্তি দিছে। যোৱা ১২ আগষ্ট, ২০২১ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক আনুষ্ঠানিক কাৰ্যসূচীত অলিম্পিক ব্ৰঞ্জ পদক বিজয়ী খেল ৰত্ন লাভলীনা বৰগোঁহাইক এককালীন অনুদান হিচাপে ১ কোটি টকাৰ নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হৈছিল। তাৰোপৰি, লাভলীনা বৰগোঁহাইৰ ৫ গৰাকী প্ৰশিক্ষকৰ প্ৰতিগৰাকীলৈ ১০ লাখ টকাকৈ নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হৈছিল।

অসম চৰকাৰে ইতিমধ্যে নাবাৰ্ড আন্তঃগাঁথনি উন্নয়ন সাহায্যৰ অধীনত ১২ কোটি টকাকৈ ৪০ টা বিধানসভা সমষ্টিত ৪০ খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে । ঠিক একেদৰে উদীয়মান ক্ৰীড়া প্ৰতিভাৰ সুবিধা তথা তেওঁলোকক প্ৰশিক্ষণ আৰু নিয়মীয়া অনুশীলনৰ সঠিক সা-সুবিধা প্ৰদান কৰিবলৈ ৰাজ্যখনৰ ১০ খন জিলাত ৫০ কোটি টকাকৈ ১০ খন জিলা ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰিছে।

নতুন দিল্লীৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে চৰকাৰী সংগঠনসমূহৰ বাবে জিলা পৰ্যায় (ক্ষুদ্ৰ খেল' ইণ্ডিয়া) কেন্দ্ৰ মুকলি কৰাৰ বাবে ৰাজ্যখনৰ ২৭ খন জিলাত ৩৩ টা কেন্দ্ৰক অনুমোদন জনাইছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল ৰাজ্যখনৰ বৰ্ণাঢ্য সংস্কৃতিক সজীৱ পৰম্পৰা হিচাপে সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত ইয়াৰ কাম-কাজক গুৰুত্ব দিয়া।

ক'ভিড-১৯ অতিমাৰীৰ বাবে ভ্ৰাম্যমান থিয়েটাৰ উদ্যোগটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এই জটিল পৰিস্থিতিটোক অতিক্ৰম কৰিবলৈ ২০২১ বৰ্ষৰ ১১ অক্টোবৰত গুৱাহাটীৰ কইনাধৰা অতিথিশালাত ভ্ৰাম্যমান থিয়েটাৰৰ ১৭ গৰাকী প্ৰযোজকক প্ৰত্যেককে ১০ লাখ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।

অসম চৰকাৰে আগবঢ়োৱা বিভিন্ন বঁটা প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগে অসমৰ কেইবাগৰাকীও গণ্য-মান্য ব্যক্তিক সন্মানিত কৰে।

২০২১ বৰ্ষৰ ৩ অক্টোবৰত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট লেখক তথা বিদ্বান ব্যক্তি ড° নিৰোদ কুমাৰ বৰুৱাক ৰাষ্ট্ৰীয় সংহতিৰ বাবে ২০২১ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। ৰাজ্যখনৰ বৰ্ণাঢ্য সংস্কৃতিক উজলাই ৰাখিবলৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগে কেৱল অসমতে নহয় ভাৰতৰ বিভিন্ন ঠাইতো নিয়মিতভাৱে সংগীত, নৃত্য আৰু নাটক আদিৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। তাৰ ভিতৰত এটা

উল্লেখযোগ্য অনুষ্ঠান হ'ল ২০২১ বৰ্ষৰ ২৮ অক্টোবৰৰ পৰা ৩০ অক্টোবৰলৈ ছত্ৰিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় জনজাতীয় নৃত্য মহোৎসৱ, ২০২১ ত প্ৰদৰ্শন কৰা সাংস্কৃতিক বিনিময় কাৰ্যসূচী।

২০২১ বৰ্ষৰ ২০ নৱেম্বৰত নতুন দিল্লীৰ প্ৰগতি মৈদামৰ আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ মহাসংঘত অসম দিৱসৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়।

ৰাজ্যখনৰ প্ৰতিটো চুকে-কোণে পৰম্পৰাগত কলা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসমৰ প্ৰত্যেকখন জিলাতে অসম চৰকাৰে জিলা বিকাশ আৰু গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। প্ৰথম পৰ্যায়ত পৰীক্ষামূলক প্ৰকল্প হিচাপে অসমৰ ১০ খন জিলাত এই কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব। চলিত বিত্তীয় বৰ্ষৰ বাবে বাজেটত ৮৮০ লাখ টকাৰ বাজেট ব্যৱস্থা ৰখা হৈছে।

বিগত বৰ্ষত এপিডিচিএল য়ে বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ২০২১ চনৰ জুন মাহৰ পৰা ২০২১ চনৰ ডিচেম্বৰ মাহলৈ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে বৰ্তমানৰ চাহিদাৰ ৩৮৪৫ কোটি টকাৰ বিপৰীতে মুঠ ৪০৬২ কোটি টকা সংগ্ৰহ কৰিছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে ৰাজ্যখনৰ সমূহ ৰাজহ গাঁৱৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰিছে আৰু দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা আৰু সৌভাগ্য আঁচনিৰ অধীনত এনেবোৰ গাঁৱৰ সকলো যোগ্য পৰিয়াললৈ বিদ্যুৎ সংযোগ প্ৰদান কৰিছে।

বিদ্যুৎ খণ্ডত পৰ্যায়ক্ৰমে স্মাৰ্ট মিটাৰ সংস্থাপনৰ কাম চলি আছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ নিৰ্বাচিত স্থানত গ্ৰাহকসকলৰ বাবে ১.৭৫ লাখ স্মাৰ্ট মিটাৰ সংস্থাপন কৰা হৈছে। এপিডিচিএল-য়ে ২০২৫ চনৰ ভিতৰত ৬৪ লাখ গ্ৰাহকলৈ স্মাৰ্ট মিটাৰ যোগান ধৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। গ্ৰীণ এনাৰ্জি প্ৰসাৰৰ বাবে এ পি ডি চি এল য়ে অসম নৱীকৰণযোগ্য শক্তি নীতি, ২০২১ গঠন কৰিছে। এপিডিচিএল-য়ে নিজাববীয়াকৈ ৯৫ মেগাৱাট সৌৰশক্তি উৎপাদন কৰি আছে।

Asian Infrastructure investment Bank ৰ ৩২৮৪ কোটি টকাৰ বিত্তীয় সাহায্যৰে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত এপিডিচিএল-য়ে 'Assam Distribution System Enhancement and Loss Reducation' নামৰ এটি বৃহৎ প্ৰকল্পও হাতত লৈছে। ই ভল্টেজ পৰিস্থিতি উন্নত কৰিব আৰু নিৰ্ভৰযোগ্য বিদ্যুৎ নিশ্চিত কৰিব।

২০২১ বৰ্ষত, অসমৰ বিভিন্ন গুৰুত্বপূৰ্ণ এলেকা যেনে চাপাখোৱা, টিয়ক আৰু কৰিমগঞ্জত বহুসংখ্যক নতুন অতিৰিক্ত উচ্চ ভল্টেজ স্তৰৰ উপকেন্দ্ৰ আৰু তাৰ লগত জড়িত অতিৰিক্ত উচ্চ ভল্টেজ স্তৰৰ ট্ৰেন্সমিচন লাইন আৰম্ভ কৰা হৈছে আৰু এনেদৰে সমগ্ৰ অসমৰ সংশ্লিষ্ট অঞ্চলবোৰত বিদ্যুৎ সঞ্চালন বৃদ্ধি কৰা হৈছে।

মোৰ চৰকাৰখনে ৰাজ্যখনৰ পৰ্যটন খণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ লৈছে।

২০২১ বৰ্ষৰ ২৭ ছেপ্টেম্বৰত কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত বিশ্ব পৰ্যটন দিৱস উপলক্ষে পৰ্যটন সঞ্জীৱনী আঁচনিৰ অধীনত অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে অসমৰ পঞ্জীকৃত পৰ্যটন অপাৰেটৰসকললৈ ২.০০ লাখ টকাকৈ আৰু অসমৰ পঞ্জীকৃত টুৰিষ্ট গাইডসকললৈ ২৫,০০০ টকাকৈ সাহায্য অনুদান দিয়াৰ কথা ঘোষণা কৰিছে। অতিমাৰীৰ পিছত স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিবলৈ সক্ষম নোহোৱা বেয়াকৈ প্ৰভাৱিত এই লোক সকললৈ পৰ্যটন বিভাগে এই সাহায্য প্ৰদান কৰিব।

তদুপৰি, নাবাৰ্ডৰ আন্তঃগাঁথনি উন্নয়ন সাহায্যৰ অধীনত ৫০ কোটি টকাৰে ৰহাৰ জোঙাল বলহু পুৰাতাত্বিক ক্ষেত্ৰক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে উন্নীত কৰিবলৈ এটা প্ৰস্তাৱ লোৱা হৈছে।

মই আশাবাদী যে আপোনালোকৰ সক্ৰিয় সমৰ্থন আৰু সহযোগিতাৰে আগন্তুক দিনবোৰত আমাৰ ৰাজ্যখনৰ শ্ৰীবৃদ্ধি আৰু উন্নয়নৰ গতিয়ে এক নতুন শিখৰত উপনীত হ'ব।

**শ্ৰদ্ধাৰ অসমবাসী ৰাইজ,**

আজি আমি সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰো যে, আহিবলগীয়া সময়খিনি আমাৰ হ'ব। বিশ্বত ভাৰতৰ এক বিশেষ স্থান হ'ব আৰু ভাৰতত অসমৰ এক বিশেষ পৰিচয় হ'ব। এই সময়ত আমি সকলো অসমবাসী একত্ৰিত হৈ ৰাজ্যৰ সামগ্ৰিক বিকাশৰ হকে সম্পূৰ্ণ নিষ্ঠাৰে আৰু আত্মোৎসৰ্গাৰে সকলো প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ নিজকে নিয়োজিত কৰিম। আগন্তুক দিনৰ সূৰ্য্য আমাৰ বাবে উদিত হোৱাৰ প্ৰয়াস আমি নিৰন্তৰ চলাই যাম, যাৰ পোহৰে গভীৰৰ পৰা গভীৰতম আন্ধাৰ আৰু ঘনতকৈও ঘন কুঁৱলী দূৰীভূত কৰিব।

মই পুনৰবাৰ আপোনালোক সকলোকে গণৰাজ্য দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু সকলোৰে ভৱিষ্যতৰ মংগল কামনা কৰিছোঁ।

ধন্যবাদ-

**জয় হিন্দ**